सत्यमेव जयते

ভাৰত চৰকাৰ
বিত্ত মন্ত্ৰালয়
ৰাজহ বিভাগ

জিএছটি

(সামগ্ৰী আৰু সেৱা কৰ)

এম এছ এম ই ছেক্টৰ


150
বছৰ
মহাত্মা উদ্‌যাপনৰ
জাতি
কৰ
বজাৰ
জিএছটি

সূচী

প্ৰথম ভাগ ঃ জিএছটি-এক অৱলোকন

১। পৰিচয় ১

২। জিএছটি পঞ্জীয়ন ৩

৩। কম্পজিচন লেভী স্কিম ৫

৪। ইনপুট টেক্স ক্ৰেডিট ৭

৫। জিএছটিত টেক্স ইনভইচ ৮

৬। এমএছএমই খণ্ডৰ বাবে চিএৰ দ্বাৰা বাধ্যতামূলক হিচাপৰ পৰা কৰ্তন......... ৯

৭। জিএছটিত ৰিটাৰ্ন.. ১০

৮। জিএছটিৰ অধীনত এমএছএমই খণ্ডৰ বাবে ল'বলগীয়া পদক্ষেপ ১২

দ্বিতীয় ভাগ ঃ জিএছটি পৰিষদৰ প্ৰধান সিদ্ধান্তসমূহ

১। পৰিচয় ১৭

২। কম্পজিচন স্কিম ২১

৩। ৰিটাৰ্ন দাখিল ২৪

৪। ইনপুট টেক্স ক্ৰেডিটৰ পৰিসৰ ২৭

৫। ৰপ্তানি ২৮

৬। কৰ পৰিশোধ ৩০

৭। বিবিধ পৰিৱৰ্তন ৩১

৮। হস্তশিল্পৰ ওপৰত জিএছটি ৩২

৯। বস্ত্ৰশিল্পৰ ওপৰত জিএছটি ৩৫

১০। সামগ্ৰী-নিৰিখ হ্ৰাসকৰণ ৩৮

১১। সেৱা-নিৰিখ হ্ৰাসকৰণ ৪১

তৃতীয় ভাগ ঃ এমএছএমই সন্দৰ্ভত সঘনে উত্থাপিত প্ৰশ্ন ৪৩

প্রথম ভাগ

জিএছটি- এক অৱলোকন

অধ্যায় ১

পৰিচয়

অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া প্ৰতিষ্ঠান উন্নয়ন (Micro, Small and Medium Enterprises Development– MSMED) আইন, ২০০৬ৰ বিধি অনুসৰি অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া প্ৰতিষ্ঠানসমূহক সিবিলাকৰ ব্যৱসায়ৰ বাৰ্ষিক ৰাজহ (অৰ্থাৎ বিক্ৰী) অনুসৰি সংজ্ঞাবদ্ধ কৰা হৈছে। কেন্দ্ৰীয় কেবিনেটে অনুমোদন জনোৱা মতে, একোটা অতি ক্ষুদ্ৰ প্ৰতিষ্ঠান হৈছে এনে এটা প্ৰতিষ্ঠান যাৰ বাৰ্ষিক উপাৰ্জন ৫ কোটি টকাৰ অধিক নহয়; ক্ষুদ্ৰ প্ৰতিষ্ঠান হৈছে বছৰি ৫ কোটি টকাতকৈ অধিক কিন্তু ৭৫ কোটি টকাতকৈ অধিক উপাৰ্জন নকৰা প্ৰতিষ্ঠান; মজলীয়া প্ৰতিষ্ঠান হৈছে এনে একোটা প্ৰতিষ্ঠান যাৰ বাৰ্ষিক উপাৰ্জন ৭৫ কোটি টকাৰ বেছি, কিন্তু ২৫০ কোটি টকাতকৈ অধিক নহয়।

এমএছএমই খণ্ডই দেশৰ অৰ্থনীতিলৈ গুৰুত্বপূৰ্ণ অৰিহনা আগবঢ়ায় আৰু ই উদ্যমিতা আৰু দক্ষতা বিকাশৰ সৃজনস্থলী হোৱাৰ লগতে বৃহত্তম নিয়োগ প্ৰদানকাৰী। প্ৰায় ১০০ নিযুত লোকক কৰ্মসংস্থানৰ সুযোগ প্ৰদান কৰি ৩০ নিযুততকৈয়ো অধিক এমএছএমই আছে।

বিকাশৰ বাবে সম্ভাৱনাপূৰ্ণ আৰু পূৰ্বানুক্ৰমিক সক্ষমতা থকা সত্বেও, ভাৰতত এমএছএমইবিলাকে এলানি সমস্যাৰ সন্মুখীন হৈ থাকিবলগীয়া হৈছে, এইবিলাকৰ ভিতৰত আছে— আশাপ্ৰদ ৰূপত কাম-কাজ কৰাৰ অসুবিধা, কাৰিকৰী আঁসোৱাহ, অপৰ্যাপ্ত যোগান শৃংখলা, ক্ৰমবৰ্ধমান দেশীয় আৰু গোলকীয় প্ৰতিযোগিতা, পুঁজিৰ নাটনি, নিৰ্মাণ কৌশলৰ পৰিৱৰ্তন আৰু অসুবিধাজনক তথা অনিশ্চিত বজাৰ ব্যৱস্থা ইত্যাদি।

এনে এক পৰিস্থিতিত বৰ্তি থাকিবৰ বাবে আৰু বৃহৎ তথা গোলকীয় প্ৰতিষ্ঠানসমূহৰ সৈতে প্ৰতিযোগিতাত ফেৰ মাৰিবলৈ এমএছএমইবিলাকে চলিত প্ৰতিযোগিতামূলক বাতাৱৰণত দীৰ্ঘস্থায়ী বিকাশ নিশ্চিত কৰিবলৈ সহায়-সহযোগিতা লাভ কৰা দৰকাৰ। জিএছটিৰ মতে, সময়ৰ সৈতে খাপ খুৱাই, বৃহৎ কোম্পানীসমূহৰ তুলনাত এমএছএমইবিলাকৰ প্ৰযোজ্য শক্তিৰ লগতে ব্যয় অধিক হয়। তুলনামূলকভাৱে ডাঙৰ কোম্পানীসমূহতকৈ ইবিলাকৰ ওপৰত ইয়াৰ প্ৰভাৱ বহুত বেছি। সেয়ে, হঠাৎ উদ্ভৱ হোৱা প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰিবৰ বাবে আকস্মিক বৃদ্ধি/পৰিৱৰ্তনৰ সৈতে খাপ খোৱাকৈ কিছুমান সকাহমূলক মুনাফাৰ প্ৰয়োজন হৈ পৰে।

সেই অনুসৰি, জিএছটিৰ জৰিয়তে, ক্ষুদ্ৰ আৰু মজলীয়া প্ৰতিষ্ঠানসমূহক যথেষ্ট মুনাফা প্ৰদান কৰা হৈছে আৰু এনে সকাহবিলাক উচ্চসীমা কৰ্তন (threshold exemptions), সমন্বিত লেভী আঁচনি (composition levy schemes), জিএছটিৰ ৰাপোচ বা ৰিটাৰ্ন তিনি মাহৰ মূৰে মূৰে দাখিল কৰা আদি। এনে কৰিবলৈ যাওঁতে এই কথা মনত ৰখা হৈছে যে সিবিলাক যাতে অপ্ৰতিযোগিতামূলক হৈ নপৰে আৰু যোগান শৃংখলাত বাধাহীন আইটিচিৰ দৰে জিএছটিৰ সকলো মুনাফা দিয়া হয়।

অধ্যায় ২

জিএছটি পঞ্জীয়ন

জিএছটি যিহেতু যোগানৰ ওপৰত এবিধ কৰ, সেয়ে ৰাজ্য অথবা কেন্দ্ৰীয় শাসিত অঞ্চলৰ পৰা সামগ্ৰী অথবা সেৱা অথবা দুয়োটাৰে কৰযোগ্য যোগান সম্পন্ন কৰা প্ৰতিজন যোগনীয়াৰে, যদিহে একোটা বিত্তীয় বৰ্ষত তেওঁৰ সৰ্বমুঠ উপাৰ্জন নিৰ্ধাৰিত উচ্চসীমা অতিক্ৰান্ত হয়, তেনেক্ষেত্ৰত যোগানৰ ওপৰত জিএছটি পৰিশোধ কৰিব লাগিব। সেৱাৰ যোগনীয়াৰৰ ক্ষেত্ৰত জিএছটিৰ পঞ্জীয়ন আৰু পৰিশোধৰ পৰা ৰেহাই পাবলৈ যোগনীয়াৰৰ বাৰ্ষিক উপাৰ্জনৰ উচ্চসীমা হৈছে ২০ লাখ টকা (মণিপুৰ, মিজোৰাম, নগালেণ্ড আৰু ত্ৰিপুৰা ৰাজ্যৰ বাবে ১০ লাখ টকা)। সামগ্ৰীৰ যোগনীয়াৰৰ ক্ষেত্ৰত জিএছটিৰ পঞ্জীয়ন আৰু পৰিশোধৰ পৰা ৰেহাই পাবলৈ যোগনীয়াৰৰ বাৰ্ষিক উপাৰ্জনৰ উচ্চসীমা হৈছে ৪০ লাখ টকা (অৰুণাচল প্ৰদেশ, মণিপুৰ, মেঘালয়, মিজোৰাম, নগালেণ্ড, পুডুচেৰী, ছিক্কিম, তেলেংগানা, ত্ৰিপুৰা আৰু উত্তৰাখণ্ড ৰাজ্যৰ বাবে ২০ লাখ টকা), ০১-০৪-২০১৯ৰ পৰা কাৰ্যকৰী হোৱাকৈ।

এমএছএমইৰ সংখ্যাৰ দিশত শীৰ্ষৰ ১০খন ৰাজ্য

ৰাজ্য	কম্পজিচন ডিলাৰৰ সংখ্যা
উত্তৰ প্ৰদেশ	৩,৫৪,৬২৯
ৰাজস্থান	১,৫৯,৩৬৮
মহাৰাষ্ট্ৰ	১,৫৫,৫৪৮
অন্ধ্ৰপ্ৰদেশ	১,১২,৮৩৯
কৰ্ণাটক	১,১২,১৬১
গুজৰাট	১,১১,১৯৮
বিহাৰ	৯৪,১২৮
তামিলনাডু	৯২,০১৪
পশ্চিমবংগ	৭৯,১৬৫
মধ্যপ্ৰদেশ	৬৩,৫০৮

-১৫-০৬-২০১৯ৰ তথ্য মতে

ইচ্ছাকৃত পঞ্জীয়ন ঃ নিৰ্ধাৰিত উচ্চসীমাৰ তলৰ বাৰ্ষিক উপাৰ্জনকাৰী লোকো ইচ্ছাকৃতভাৱে পঞ্জীভুক্ত হ'ব পাৰে।

সৰ্বমুঠ উপাৰ্জন ঃ সৰ্বমুঠ উপাৰ্জন (aggregate turnover) মানে হৈছে জিএছটি আইনৰ অধীনত আৰোপিত কৰবিলাক বাদ দি সকলো কৰযোগ্য যোগান, বহিৰ্ভূত যোগান (exempt supplies), সামগ্ৰী অথবা সেৱা অথবা উভয়ৰে ৰপ্তানি আৰু আন্তঃৰাজ্যিক যোগান, একে স্থায়ী একাউণ্ট নম্বৰ থকা ব্যক্তি, সৰ্বভাৰতীয় ভিত্তিত গণনা কৰিবলগীয়া সকলো কৰযোগ্য যোগানৰ সৰ্বমুঠ মূল্য। সৰ্বমুঠ উপাৰ্জনত একোজন লোকে তেওঁৰ মুৰব্বীৰ হৈ কৰা যোগানবিলাক অন্তৰ্ভুক্ত, কিন্তু যদিহে তেওঁ এজন কাম কৰা শ্ৰমিক হয় তেনেহ'লে তেওঁৰ কামৰ সামগ্ৰীৰ মূল্য বহিৰ্ভূত হয়।

পঞ্জীয়নৰ বাবে দায়বদ্ধ নোহোৱা লোক ঃ কিছুমান শাখাৰ লোক পঞ্জীয়নৰ বাবে দায়বদ্ধ নহয়, যেনে— (১) জিএছটি আইনৰ অধীনত কৰযোগ্য নোহোৱা সামগ্ৰী অথবা সেৱাহে কেৱল যোগান ধৰাৰ ব্যৱসায়ত জড়িত যিকোনো লোক, (২) খেতিয়ক, মাটিত কৰা খেতিৰ পৰা উৎপন্ন হোৱা সামগ্ৰীৰ যোগানৰ ক্ষেত্ৰত, আৰু (৩) কেৱল সামগ্ৰী অথবা সেৱা অথবা উভয়ৰে কৰযোগ্য যোগানত জড়িত থকা লোক, যাৰ ওপৰত সৰ্বমুঠ কৰ এনে সামগ্ৰীৰ গ্ৰহণ কৰোতাই ওলোটা মাচুলৰ ভিত্তিত পৰিশোধ কৰিবলৈ দায়বদ্ধ।

বাধ্যতামূলক পঞ্জীয়ন ঃ জিএছটি আইনত কিছুসংখ্যক নিৰ্দিষ্ট যোগনীয়াৰে বাধ্যতামূলকভাৱে পঞ্জীয়ন কৰিব লাগে, আনকি তেওঁলোকৰ বাৰ্ষিক উপাৰ্জন নিৰ্ধাৰিত উচ্চসীমাতকৈ তলত হ'লেও। এনে কিছুসংখ্যক যোগনীয়াৰ হৈছে— (১) সামগ্ৰীৰ আন্তঃৰাজ্যিক (inter-state) কৰযোগ্য যোগান সম্পন্ন কৰা লোক; (২) কৰযোগ্য যোগান সম্পন্ন কৰা অস্থায়ী কৰযোগ্য লোক; (৩) ওলোটা মাচুল (reverse charge)ৰ অধীনত কৰ পৰিশোধ কৰিবলগীয়া লোক; (৪) আন কোনো কৰযোগ্য লোকৰ হৈ একোজন প্ৰতিনিধি অথবা অন্য ৰূপত কৰযোগ্য যোগান সম্পন্ন কৰা লোক; ইত্যাদি। এই ব্যৱস্থাৱলীৰ প্ৰতি এমএছএমইবিলাকে মনোযোগ দিয়া দৰকাৰ।

এমএছএমই খণ্ডৰ বাবে বিশেষ পঞ্জীয়নৰ ব্যৱস্থা ঃ উপাৰ্জনৰ ওপৰত ভিত্তি কৰি এটা বাণিজ্যিক ব্যৱস্থাকৰণ পদক্ষেপ হিচাপে তলত উল্লেখ কৰা ক্ষুদ্ৰ আৰু মজলীয়া প্ৰতিষ্ঠানসমূহে জিএছটি পঞ্জীয়ন ল'ব নালাগে ঃ

(১) সামগ্ৰীৰ ৰাজ্যৰ আভ্যন্তৰীণ (intra-state) কৰযোগ্য যোগানত জড়িত লোক, যদি তেওঁৰ এটা বিত্তীয় বৰ্ষত বাৰ্ষিক মুঠ উপাৰ্জন নিৰ্ধাৰিত উচ্চসীমা ৪০ লাখ টকাৰ অধিক নহয় (ওপৰত উল্লেখ কৰা ৰাজ্যসমূহৰ ক্ষেত্ৰত ২০লাখ টকা)।

(২) সেৱাৰ ৰাজ্যৰ আভ্যন্তৰীণ (intra-state) কৰযোগ্য যোগানত জড়িত লোক, যদি তেওঁৰ এটা বিত্তীয় বৰ্ষত বাৰ্ষিক মুঠ উপাৰ্জন নিৰ্ধাৰিত উচ্চসীমা ২০ লাখ টকাৰ অধিক নহয় (ওপৰত উল্লেখ কৰা ৰাজ্যসমূহৰ ক্ষেত্ৰত ১০লাখ টকা)।

(৩) সেৱাৰ আন্তঃৰাজ্যিক (inter-state) কৰযোগ্য যোগানত (সামগ্ৰী নহয়) জড়িত লোক, যদি তেওঁৰ এটা বিত্তীয় বৰ্ষত বাৰ্ষিক মুঠ উপাৰ্জন নিৰ্ধাৰিত উচ্চসীমা ২০ লাখ টকাৰ অধিক নহয় (ওপৰত উল্লেখ কৰা ৰাজ্যসমূহৰ ক্ষেত্ৰত ১০লাখ টকা)।

অধ্যায় ৩

কম্পজিচন লেভী স্কিম

জিএছটিত কম্পজিচন লেভী স্কিম হৈছে নির্ধাৰিত সীমা পৰ্যন্ত বাৰ্ষিক উপাৰ্জন কৰা ক্ষুদ্ৰ আৰু মজলীয়া কৰদাতাসকলৰ বাবে প্ৰস্তুত কৰা কৰ প্ৰদানৰ এটা বিকল্প পদ্ধতি। ই অতি সহজ, ক্ষুদ্ৰ কৰদাতাসকলৰ বাবে সুবিধাজনক আৰু জটিলতাবিহীন আঁচনি। ই হৈছে এখন ইচ্ছাকৃত আৰু বিকল্প আঁচনি। কম্পজিচন লেভী স্কিমৰ অধীনত কৰ পৰিশোধ কৰিবলৈ ইচ্ছা কৰা একোজন লোকে পৰিশোধ কৰা 'ইনপুট'ৰ ওপৰত কৰৰ 'ক্ৰেডিট' ল'ব নোৱাৰে অথবা গ্ৰহণ কৰোতাৰ পৰা কোনোধৰণৰ কৰ সংগ্ৰহ কৰিব নোৱাৰে। কম্পজিচন লেভী স্কিমৰ গুৰুত্বপূৰ্ণ বিশেষত্ববিলাক হৈছেঃ

(১) একোজন পঞ্জীভুক্ত কৰযোগ্য লোক, যাৰ মুঠ উপাৰ্জন ১.৫০ কোটি টকাতকৈ অধিক নহয়, সামগ্ৰীৰ এজন যোগনীয়াৰ হিচাপে (অৰুণাচল প্ৰদেশ, মণিপুৰ, মেঘালয়, মিজোৰাম, নগালেণ্ড, ছিক্কিম, ত্ৰিপুৰা আৰু উত্তৰাখণ্ডৰ বাবে ৭৫ লাখ টকা), তেনে লোকে পৰৱৰ্তী বিত্তীয় বৰ্ষৰ বাবে এই আঁচনিত অন্তৰ্ভুক্ত হ'ব পাৰে।

(২) অৱশ্যে, কেৱল সেৱাৰ একোজন যোগনীয়াৰে (অথবা সেৱা আৰু সামগ্ৰী দুয়োটা), যাৰ বাৰ্ষিক উপাৰ্জন ৫০ লাখ টকা পৰ্যন্ত, তেওঁ কম্পজিচন স্কিমত অন্তৰ্ভুক্ত হ'ব পাৰে আৰু এনে যোগনীয়াৰৰ ক্ষেত্ৰত প্ৰযোজ্য জিএছটিৰ নিৰিখ হৈছে ৬%।

(৩) আইচ ক্ৰিম, পান মছলা আৰু ধঁপাত প্ৰস্তুতকৰ্তা জিএছটি কম্পজিচন লেভী স্কিমত অন্তৰ্ভুক্ত হ'ব নোৱাৰে।

(৪) কম্পজিচন লেভী স্কিমৰ অধীনত পঞ্জীভুক্ত একোজন কৰদাতাই চৰকাৰক নিৰ্ধাৰিত শতাংশৰ সমপৰিমাণৰ ধনৰাশি পৰিশোধ কৰিব লাগিব। গ্ৰাহকৰ পৰা জিএছটিৰ ৰূপত এই কৰৰ ধনৰাশি সংগ্ৰহ কৰিব নোৱাৰিব। কম্পজিচন লেভী স্কিমৰ অধীনত কৰৰ নিৰিখ তলত দিয়াৰ দৰেঃ

(ক) ৰাজ্য অথবা কেন্দ্ৰীয় শাসিত অঞ্চলত উপাৰ্জনৰ ১%, সমৰ্থ প্ৰস্তুতকৰ্তাৰ ক্ষেত্ৰত।

(খ) ৰাজ্য অথবা কেন্দ্ৰীয় শাসিত অঞ্চলত কৰযোগ্য যোগনীয়াৰৰ উপাৰ্জনৰ ১%, ব্যৱসায়ী (trader)ৰ ক্ষেত্ৰত।

(গ) ৰাজ্য অথবা কেন্দ্ৰীয় শাসিত অঞ্চলত উপাৰ্জনৰ ৫%, অনুসূচী ২ৰ পেৰেগ্ৰাফ ৬(খ)ত উল্লিখিত যোগানৰ ক্ষেত্ৰত (অৰ্থাৎ ৰেঁস্তোৰা সেৱা আৰু কৰ্মচুক্তি সেৱা)।

(ঘ) ৰাজ্য অথবা কেন্দ্ৰীয় শাসিত অঞ্চলত কৰযোগ্য যোগানৰ ৬%, কেৱল সেৱা অথবা সামগ্ৰী আৰু সেৱা দুয়োটাৰ যোগনীয়াৰৰ ক্ষেত্ৰত।

(৫) তিনিমহীয়া ভিত্তিত কৰ পৰিশোধ কৰিব লাগে। এনে ধৰণৰ কৰদাতাই বিস্তাৰিত হিচাপ নিকাচ আৰু তথ্য-পাতি ৰাখিব নালাগে আৰু ইয়াৰ পৰিৱৰ্তে দুমহীয়া বিৱৰণ আৰু একোটা উপাৰ্জন বা ৰিটাৰ্ন ৰাখিব লাগে (যিটো একোজন সাধাৰণ কৰদাতাই জিএছটিৰ অধীনত দাখিল কৰিব লাগে), কম্পজিচন কৰদাতাই একোটা ঘোষণাৰ ভিত্তিত তিনিমহীয়াকৈ কৰ পৰিশোধ কৰিব লাগে। তেওঁলোকে বছৰেকীয়া ভিত্তিত এতিয়া কেৱল এটা ৰিটাৰ্ন দাখিল কৰিলেই হয়।

(৬) এই আঁচনিত অন্তৰ্ভুক্ত হ'বৰ বাবে ইচ্ছা কৰা একোজন কৰযোগ্য লোকে তেওঁ যিহেতু জিএছটিৰ অধীনত কৰযোগ্য চালান বা ইনভইচ জাৰি কৰিব নালাগে, সেয়ে যোগানৰ বিল জাৰি কৰিব লাগে। তেওঁ জাৰি কৰা যোগানৰ প্ৰতিখন বিলৰ একেবাৰে ওপৰত এই শব্দকেইটা উল্লেখ কৰিব লাগে 'কম্পজিচন কৰযোগ্য লোক, যোগানৰ ওপৰত কৰ সংগ্ৰহ কৰিবলৈ যোগ্য নহয় (composition taxable person, not eligible to collect tax on supplies)'।



অধ্যায় ৪

ইনপুট টেক্স ক্ৰেডিট

জিএছটিৰ আমোলত, একোজন পঞ্জীভুক্ত লোকে সামগ্ৰী অথবা সেৱা অথবা দুয়োটাৰে যোগানৰ বাবদ তেওঁৰ ওপৰত আৰোপিত 'ইনপুট' কৰৰ 'ক্ৰেডিট' ল'ব পাৰে যিবিলাক তেওঁৰ পৰৱৰ্তী ব্যৱসায়ৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পাৰে। আহৰণ কৰা সামগ্ৰী অথবা সেৱাৰ যোগানৰ ওপৰত পৰিশোধ কৰিবলগীয়া কৰৰ ওপৰত তেওঁ কৰা পৰিশোধৰ ওপৰত গ্ৰহণ কৰোতাই ইনপুটৰ ক্ৰেডিট পাব পাৰে। অৱশ্যে, একোজন কম্পজিচন কৰদাতাই ইনপুট টেক্স ক্ৰেডিট দাবী কৰিব নোৱাৰে।

কিছুমান বিশেষ পৰিস্থিতিত ক্ৰেডিট লাভৰ কিছুমান বিশেষ ব্যৱস্থা আছে, সেইবিলাকৰ ভিতৰত আছে নতুন পঞ্জীয়ন, কম্পজিচন লেভীৰ পৰা সাধাৰণ লেভীলৈ স্থানান্তৰ অথবা ইয়াৰ ওলোটাটো, কৰযোগ্য হোৱা বহিৰ্ভূত যোগনীয়াৰ আৰু ইয়াৰ ওলোটাটো ইত্যাদি। এমএছএমইবিলাক যেতিয়া কম্পজিচনৰ পৰা অথবা বহিৰ্ভূত শাখাৰ পৰা স্থানান্তৰিত হয় তেতিয়া ই তেওঁলোকক সহায় কৰে।

জিএছটিআৰ-৩খৰ জৰিয়তে দাবী কৰা মুঠ
মাহিলী আইটিচি (কোটি টকা হিচাপত)

মাহ	বছৰ		
	২০১৭	২০১৮	২০১৯
জানুৱাৰী		২৪৮৪৯১	২৮৭৬৩৬
ফেব্ৰুৱাৰী		২৩৬৩৫৮	২৭৬৮৯০
মাৰ্চ		২৩৯০০৪	২৯১৭৪৮
এপ্ৰিল		২৭৭৪৫৩	৩৩১০৭৭
মে'		২৪৫৮৩০	২৭৩৭৩৩
জুন		২৬৩৭২৯	
জুলাই		২৬৬৪৪৪	
আগষ্ট	১৪১৯৮৭	২৫৬৮৩৮	
ছেপ্টেম্বৰ	১৮৮৯৪৫	২৬৪৪০৩	
অক্টোবৰ	২১২৮৩২	৩০০৮১৫	
নৱেম্বৰ	২১৯৩৭৮	২৮৪৬৭২	
ডিচেম্বৰ	২৩১৯৮৩	২৬৬২২৮	

-২১-০৬-২০১৯ৰ তথ্য মতে

অধ্যায় ৫

জিএছটিত টেক্স ইনভইচ

জিএছটি আইনে নিৰ্ধাৰিত সময়ৰ ভিতৰত কৰৰ চালান বা 'টেক্স ইনভইচ' জাৰি কৰিবলৈ দিয়ে (অৰ্থাৎ সামগ্ৰীৰ যোগানৰ ক্ষেত্ৰত যোগানৰ বাবে সামগ্ৰী আঁতৰোৱাৰ পূৰ্বে আৰু সেৱাৰ যোগানৰ ক্ষেত্ৰত সেৱাৰ ব্যৱস্থা কৰা তাৰিখৰ পৰা সৰ্বাধিক ৩০ দিনলৈকে) য'ত নিৰ্ধাৰিত তথ্যবিলাক দেখুৱাব লাগে। এইক্ষেত্ৰত কোনো নিৰ্দিষ্ট আৰ্হি নাই। জিএছটি বিধিত স্বীকৃত নথি-পত্ৰবিলাক হৈছে টেক্স ইনভইচ, ডেলিভাৰী চালান, যোগানৰ বিল, ক্ৰেডিট নোট, ডেবিট নোট, ৰিভাইছ্ড টেক্স ইনভইচ, ৰিচিপ্ট ভাউচাৰ, পে'মেণ্ট ভাউচাৰ ইত্যাদি।

সামগ্ৰীৰ যোগানৰ ক্ষেত্ৰত, টেক্স ইনভইচ তিনিপটীয়াকৈ (triplicate) প্ৰস্তুত কৰিব লাগে (মূলখন ক্ৰেতাৰ বাবে দ্বিতীয়খন পৰিবহণকাৰীৰ বাবে আৰু তৃতীয়খন যোগনীয়াৰৰ বাবে); আনহাতে সেৱাৰ ক্ষেত্ৰত ইনভইচ বা চালান দুপটীয়াকৈ (duplicate) প্ৰস্তুত কৰিব লাগে (মূলখন ক্ৰেতাৰ বাবে আৰু দ্বিতীয়খন যোগনীয়াৰৰ বাবে)।

এমএছএমই খণ্ডৰ বাবে বিশেষ ইনভইচৰ ব্যৱস্থা ঃ বাৰ্ষিক উপাৰ্জন ১.৫০ কোটি টকা পৰ্যন্ত কৰদাতাৰ বাবে প্ৰস্তুত কৰি দিয়া টেক্স ইনভইচত এইচএছএন কোড উল্লেখ কৰা প্ৰয়োজন। তদুপৰি, ১.৫ কোটি টকাৰ পৰা ৫ কোটি টকালৈ বাৰ্ষিক উপাৰ্জন থকা কৰদাতাই তেওঁলোকৰ ইনভইচত এইচএছএন কোডৰ প্ৰথম দুটা অংক উল্লেখ কৰিব পাৰে আৰু ৫ কোটি টকাৰ ওপৰত বাৰ্ষিক উপাৰ্জন থকা কৰদাতাসকলে তেওঁলোকৰ ইনভইচত সম্পূৰ্ণ চাৰিটা অংকৰ এইচএছএন কোড উল্লেখ কৰিব লাগে।

অধ্যায় ৬

এমএছএমই খণ্ডৰ বাবে চিএৰ দ্বাৰা বাধ্যতামূলক হিচাপ-নিকাচৰ পৰা কৰ্তন

জিএছটি আমোলত, প্ৰতিজন পঞ্জীভুক্ত লোকে একোটা বিত্তীয় বৰ্ষত যাৰ উপাৰ্জন নিৰ্ধাৰিত সীমা অতিক্ৰম কৰে, তেওঁ একোজন চাৰ্টাৰ্ড একাউণ্টেণ্ট বা একোজন কষ্ট্ একাউণ্টেণ্টৰ দ্বাৰা তেওঁৰ হিচাপ-নিকাচ কৰোৱাব লাগে। এটা বাণিজ্যিক ব্যৱস্থাপনাৰ পদক্ষেপ হিচাপে চৰকাৰে অধিসূচনা জাৰি কৰিছে যে বাৰ্ষিক উপাৰ্জন ২ কোটি টকা পৰ্যন্ত থকা পঞ্জীভুক্ত লোকে তেওঁলোকৰ হিচাপ-নিকাচ একোজন চাৰ্টাৰ্ড একাউণ্টেণ্ট বা কষ্ট্ একাউণ্টেণ্টৰ দ্বাৰা কৰাব নালাগে।

অধ্যায় ৭

জিএছটিত ৰিটাৰ্ন

জিএছটি আইনত একোজন পঞ্জীভুক্ত লোকে বাহিৰলৈ কৰা যোগানৰ সবিশেষ দাখিলৰ ধৰণ আৰু সময় দিয়া আছে, ইয়াৰ বাহিৰে কিছুমান নিৰ্দিষ্ট শাখাৰ পঞ্জীভুক্ত লোকৰ ক্ষেত্ৰত প্ৰতিনিধিত্বমূলক গ্ৰহণ কৰোতাক দিবলগীয়া এনে সবিশেষৰ ধৰণ আৰু সময় দিয়া হৈছে। এনে কৰোতে হ'ব পৰা যিকোনো ধৰণৰ বিসংগতি অথবা অনুল্লেখ আৰু কৰ পৰিশোধ তথা সুত আদায়ৰ ধৰণ আৰু সময়ো এই আইনত দিয়া হৈছে।

ৰিটাৰ্ন দাখিল কৰাৰ প্ৰচলিত প্ৰক্ৰিয়া ঃ সকলো দায়বদ্ধ পঞ্জীভুক্ত লোকে জিএছটিআৰ-১ প্ৰ-পত্ৰত বৈদ্যুতিনভাৱে, একোটা কৰ সময়সীমাৰ ভিতৰত অথবা পৰৱৰ্তী মাহৰ দশম দিনা বা তাৰ পূৰ্বে সামগ্ৰী অথবা সেৱা অথবা দুয়োটাৰে বহিৰ্গমন যোগানৰ সবিশেষ দাখিল কৰিব লাগে। একেদৰে সকলো দায়বদ্ধ পঞ্জীভুক্ত লোকে জিএছটিআৰ-৩খ প্ৰ-পত্ৰত বৈদ্যুতিনভাৱে, দেনাৰ একোটা সাৰাংশ ৰিটাৰ্ন, ইনপুট টেক্স ক্ৰেডিট আৰু নিৰ্দিষ্ট মাহৰ কৰৰ পৰিশোধ পৰৱৰ্তী মাহৰ ২০ তাৰিখে বা তাৰ আগতে দাখিল কৰিব লাগে।

জিএছটি ৰিটাৰ্ন দাখিল

ৰিটাৰ্নৰ প্ৰকাৰ	মুঠ
জিএছটিআৰ-১	৯,৭২,১৭,২৫৬
জিএছটিআৰ-৩খ	১৭,৯৯,১৮,৮১৩
জিএছটিআৰ-৪	৯৯,৯৯,২৩৯

- ২০-০৬-২০১৯ তথ্য মতে

এমএছএমই খণ্ডৰ বাবে বিশেষ ৰিটাৰ্ন দাখিলৰ ব্যৱস্থা ঃ এটা বাণিজ্যিক ব্যৱস্থাপনাৰ পদক্ষেপ হিচাপে চৰকাৰে অধিসূচনা জাৰি কৰিছে যে বাৰ্ষিক উপাৰ্জন ১.৫ কোটি টকা পৰ্যন্ত থকা পঞ্জীভুক্ত লোকে জিএছটিআৰ-১ প্ৰ-পত্ৰত তিনিমহীয়াকৈ ৰিটাৰ্ন দাখিল কৰিব পাৰে (অৰ্থাৎ উক্ত তিনিমাহত কাৰ্যকৰী হোৱা সামগ্ৰী অথবা সেৱা অথবা দুয়োটাৰ বহিৰ্গমন যোগানৰ সবিশেষ), এনে তিনিমাহ কাল সমাপ্ত হোৱাৰ পিছত ১৮দিনৰ ভিতৰত দাখিল কৰিব লাগিব।

সৰলীকৃত জিএছটি ৰিটাৰ্ন দাখিল প্ৰক্ৰিয়াৰ প্ৰস্তাৱিত পদ্ধতি ঃ সৰলীকৃত ৰিটাৰ্ন দাখিলৰ প্ৰস্তাৱিত পদ্ধতি অনুসৰি, ক্ষুদ্ৰ কৰদাতাসকলে একোটা সৰলীকৃত ৰিটাৰ্ন আৰ্হিত তিনিমহীয়া ৰিটাৰ্ন দাখিলৰ প্ৰধান পৰিৱৰ্তনৰ অংশ হিচাপে মাহিলী কৰ পৰিশোধ কৰিব পাৰে। প্ৰস্তাৱিত জিএছটি ৰিটাৰ্ন দাখিলৰ গুৰুত্বপূৰ্ণ বিশেষত্ববিলাক তলত দিয়া ধৰণৰঃ

(১) **মাহিলী ৰিটাৰ্ন আৰু নিৰ্ধাৰিত তাৰিখ ঃ** কিছুসংখ্যকৰ বাহিৰে যেনে— ক্ষুদ্ৰ কৰদাতা, কম্পজিচন ডিলাৰ, ইনপুট ছাৰ্ভিচ ডিষ্ট্ৰিবিউটৰ (আইএছডি), অনা-আবাসিক পঞ্জীভুক্ত লোক, চিজিএছটি আইন, ২০১৭ৰ অনুচ্ছেদ ৫১ৰ অধীনত উৎসতে কৰ হ্ৰাস কৰাৰ যোগ্য লোক, চিজিএছটি আইন, ২০১৭ৰ অনুচ্ছেদ ৫২ৰ অধীনত উৎসতে কৰ সংগ্ৰহ কৰাৰ যোগ্য লোকৰ বাহিৰে সকলো কৰদাতাই এমহীয়া ৰিটাৰ্ন দাখিল কৰিব লাগিব। একোজন বৃহৎ কৰদাতাই ৰিটাৰ্ন দাখিল কৰাৰ নিৰ্ধাৰিত তাৰিখ হৈছে পৰৱৰ্তী মাহৰ ২০ তাৰিখ। ৰিটাৰ্ন দাখিলৰ প্ৰ-পত্ৰ জিএছটি আৰইটি-১ (এএনএক্স-১আৰু এএনএক্স-২সহ)।

(২) (১) **নিল ৰিটাৰ্ন ঃ** বিত্তীয় বৰ্ষৰ যিকোনো তিনিমাহত কোনোধৰণৰ ক্ৰয় নকৰা, বহিৰ্গমনৰ কৰৰ দায়বদ্ধতা নথকা আৰু ইনপুট টেক্স ক্ৰেডিট আহৰণ কৰিব নলগীয়া কৰদাতাই সমগ্ৰ তিনিমাহৰ বাবে নিল ৰিটাৰ্ন দাখিল কৰিব। একোটা এছএমএছৰ জৰিয়তে তিনিমহীয়া ৰিটাৰ্ন দাখিলৰ সুবিধাও পৰ্যাপ্ত হ'ব।

(২) **ক্ষুদ্ৰ কৰদাতা ঃ** অন্তিম বিত্তীয় বৰ্ষত ৫ কোটি টকা পৰ্যন্ত উপাৰ্জন কৰা কৰদাতাক ক্ষুদ্ৰ হিচাপে গণ্য কৰা হ'ব। এনে ক্ষুদ্ৰ কৰদাতাই নিজাববীয়া ঘোষণাৰ ভিত্তিত মাহিলী কৰ পৰিশোধৰ সৈতে তিনিমহীয়া ৰিটাৰ্ন দাখিলৰ সুবিধা লাভ কৰিব। অৱশ্যে, এই সুবিধা ঐচ্ছিক হ'ব আৰু ক্ষুদ্ৰ কৰদাতাই একোজন বৃহৎ কৰদাতাৰ দৰে মাহিলী ৰিটাৰ্নো দাখিল কৰিব পাৰে।

তিনিমহীয়া ৰিটাৰ্ন মাহিলী পৰিশোধৰ সুবিধাৰ সৈতে মূল ৰিটাৰ্নৰ দৰে একেই হ'ব যদিও দুজন পঞ্জীভুক্ত লোকৰ বাবে— কেৱল B2C যোগান অথবা B2B + B2C যোগান সম্পন্ন কৰা লোকৰ ক্ষেত্ৰত প্ৰযোজ্য। এনে কৰদাতাৰ ক্ষেত্ৰত, সৰলীকৃত ৰিটাৰ্নৰ আৰ্হি প্ৰস্তুত কৰা হৈছে যাক কোৱা হয় সহজ আৰু সুগম। এনে ৰিটাৰ্নবিলাকত, দাখিল কৰিবলগীয়া তথ্যৰ সবিশেষ নিয়মীয়া ৰিটাৰ্নত দাখিল কৰিবলগীয়া তথ্যতকৈ কম হয়।

(৩) ৰিটাৰ্নৰ নতুন আৰ্হিত চালান অথবা ইনভইচৰ সংশোধনৰ সুবিধা আছে আৰু ৰিটাৰ্নত দাখিল কৰা অন্য সবিশেষৰো সংশোধনৰ ব্যৱস্থা আছে। সংশোধন ৰিটাৰ্ন (amendment return) নামৰ এটা ৰিটাৰ্ন দাখিল কৰি সংশোধনী কৰা হ'ব। সংশোধনী ৰিটাৰ্নৰ জৰিয়তে ধন পৰিশোধ কৰিবলৈ দিয়া হ'ব যিহেতু ই কৰদাতাৰ বাবে সুতৰ দায়বদ্ধতা ৰক্ষা কৰাত সহায় কৰিব।

অধ্যায় ৮

জিএছটিৰ অধীনত এমএছএমই খণ্ডৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহ

এমএছএমই খণ্ডৰ মুনাফাৰ বাবে জিএছটি পৰিষদে ইয়াৰ বিভিন্ন বৈঠকত বিভিন্ন সিদ্ধান্ত গ্ৰহণ কৰিছে। এনেদৰে গ্ৰহণ কৰা প্ৰধান সিদ্ধান্তসমূহৰ সবিশেষ তলত দিয়া ধৰণৰঃ

(১) পূৰ্বতে প্ৰস্তুত কৰা সামগ্ৰী আৰু/অথবা অসংগঠিত এমএছএমই খণ্ডত ব্যৱহৃত সামগ্ৰী কম নিৰিখত ৰখা হয় অথবা কৰ্তন কৰা হয়। উদাহৰণস্বৰূপে, বৈদ্যুতিক ছুইট্চ আৰু ৱায়াৰ, পাইপলাইন, প্লাষ্টিকৰ সামগ্ৰী ইত্যাদি এমএছএমইৰ দ্বাৰা ব্যাপক হাৰত উৎপাদিত সামগ্ৰী আৰু সিবিলাকে পূৰ্বতে কেন্দ্ৰীয় আবকাৰী শুল্ক আদায় দিয়া নাছিল আৰু সেয়ে এইবিলাকৰ ওপৰত কৰৰ নিৰিখ ২৮%ৰ পৰা ১৮%লৈ নমাই অনা হয়। একেদৰে, মৰাপাট আৰু আঁহেৰে নিৰ্মিত হাতমোনা, ৰছী ইত্যাদিৰ জিএছটি নিৰিখ, যিবিলাক প্ৰধানকৈ কুটিৰ খণ্ডত তৈয়াৰ কৰা হয়, সিবিলাকৰ নিৰিখ ১২ৰ পৰা ৫%তলৈ হ্ৰাস কৰা হয়। মাছমৰীয়াসকলে ব্যাপক হাৰত ব্যৱহাৰ কৰা ফিছিং হুক বা বৰশীৰ নিৰিখ ১২ৰ পৰা ৫%লৈ হ্ৰাস কৰা হয়— যিহেতু এই উদ্যোগ উল্লেখযোগ্য আইটিটিচিৰে ব্যাপক হাৰত শ্ৰম জড়িত।

(২) কম্পজিচন স্কিমত অন্তৰ্ভুক্ত হ'বৰ বাবে ইচ্ছুক কৰদাতাৰ উপাৰ্জনৰ উচ্চসীমা হৈছে ১ কোটি টকাৰ পৰা ১.৫ কোটি টকা।

(৩) কম্পজিচন ডিলাৰসকলক যোগান সেৱালৈ অনুমতি দিয়া হ'ব। বছৰি ৫০লাখ টকা পৰ্যন্ত উপাৰ্জনসহ সেৱা প্ৰদানকাৰীসকলে কম্পজিচন স্কিমত অন্তৰ্ভুক্ত হ'ব পাৰে আৰু এনে যোগনীয়াৰৰ ক্ষেত্ৰত প্ৰযোজ্য হ'বলগীয়া জিএছটিৰ নিৰিখ হৈছে ৬%।

(৪) পঞ্জীকৃত নোহোৱা যোগনীয়াৰৰ পৰা যোগান গ্ৰহণ কৰাৰ ক্ষেত্ৰত ওলোটা মাছুল ব্যৱস্থাপনা (reverse charge mechanism)ৰ ওপৰত জিএছটিৰ লেভী, জিএছটি পৰিষদৰ পৰামৰ্শাৱলীৰ ভিত্তিত, নিৰ্দিষ্ট জাননীকৃত পঞ্জীভুক্ত লোকৰ শ্ৰেণীৰ ক্ষেত্ৰত কেৱল নিৰ্দিষ্ট সামগ্ৰীতহে প্ৰযোজ্য।

(৫) ইনভইচ জাৰি কৰাৰ ১৮০ দিনৰ ভিতৰত গ্ৰহণ কৰোতাই নিৰ্ধাৰিত ধনৰাশি যোগনীয়াৰক পৰিশোধ কৰাত ব্যৰ্থ হ'লে, গ্ৰহণ কৰোতাই লাভ কৰা ইনপুট টেক্স ক্ৰেডিট উভতি যাব।

(৬) এটা পদক্ষেপৰ প্ৰক্ৰিয়াৰ জৰিয়তে নিল ৰিটাৰ্ন দাখিল সৰল কৰি তোলা হৈছে।

(৭) আন্তঃৰাজ্যিক যোগান সম্পন্ন কৰা সেৱা প্ৰদানকাৰীৰ লগতে ই-কমাৰ্চ অপাৰেটৰৰ জৰিয়তে কৰা যোগান, যাৰ বাৰ্ষিক উপাৰ্জন ২০ লাখ টকাতকৈ বেছি নহয়, তেওঁলোক জিএছটিৰ অধীনত পঞ্জীয়নৰ প্ৰয়োজন নহয়।

(৮) এড্‌ভাঞ্চ অথৰাইজেচন (এএ)/এক্সপৰ্ট প্ৰমোচন কেপিটেল গুড্‌ছ (ইপিচিজি)/১০০% এক্সপৰ্ট অৰিয়েণ্টেড ইউনিট্‌ছ (ইঅ'ইউ) আঁচনিবিলাকে দেশীয় বজাৰৰ লগতে বিদেশৰ পৰাও ইনপুট আহৰণ কৰে। এনে ধৰণৰ এএ/ইপিচিজি আৰু ইঅ'ইউবিলাকে আমদানিৰ ওপৰত আইজিএছটি, উপকৰ (cess) ইত্যাদি দিব নালাগে। তদুপৰি, এএ/ইপিচিজি আৰু ইঅ'ইউৰ ধাৰণকাৰীক কৰা দেশীয় যোগানক চিজিএছটি/এছজিএছটি আইনৰ অনুচ্ছেদ ১৪৭ৰ অধীনত ৰপ্তানি হিচাপে গণ্য কৰা হয় আৰু এনেধৰণৰ যোগানৰ ওপৰত পৰিশোধ কৰা কৰৰ ৰাপোচ বা ৰিফাণ্ড ১৮-১০-২০১৭ তাৰিখৰ অধিসূচনা নং ৪৮/২০১৭-চেণ্ট্ৰেল টেক্স অনুসৰি যোগনীয়াৰক দিয়া হয় অথবা গ্ৰহণ কৰোতাক দিয়া হয়।

(৯) ৰপ্তানিৰ বাবে একোজন বণিক ৰপ্তানিকাৰীক পঞ্জীভুক্ত যোগনীয়াৰে কৰযোগ্য সামগ্ৰী যোগান ধৰিলে যোগনীয়াৰৰ বাবে কামৰ মূলধনৰ বাধা হ্ৰাস কৰি ০.১%ৰ মুঠ জিএছটি নিৰিখ ধাৰ্য কৰা হয়। ২৩-১০-২০১৭ তাৰিখৰ অধিসূচনা নং ৪০/২০১৭-চেণ্ট্ৰেল টেক্সৰ জৰিয়তে এই ব্যৱস্থা কাৰ্যকৰী কৰা হয়।

(১০) সামগ্ৰীৰ যোগান ধৰা পঞ্জীভুক্ত লোকে ইনভইচ জাৰি কৰাৰ সময়ত কৰ পৰিশোধ কৰিব লাগে আৰু আগধন লওঁতে কৰ পৰিশোধ কৰিব নালাগে। ২০১৭ৰ ১৫ নৱেম্বৰত অধিসূচনা নং ৬৬/২০১৭-চেণ্ট্ৰেল টেক্সৰ জৰিয়তে ইয়াক কাৰ্যকৰী কৰা হয়।

জিএছটিৰ অধীনত মুঠ কৰ পৰিশোধ

কৰ	জুলাই ২০১৭ৰপৰা মে' ২০১৯লৈ
আইজিএছটি (ভাৰতলৈ সামগ্ৰীৰ আমদানিত আইজিএছটি বাদ দি)	৫.৫৭ লাখ কোটি টকা
চিজিএছটি	৩.৬০ লাখ কোটি টকা
এছজিএছটি	৫.০৩ লাখ কোটি টকা
কম্পেনছেচন চেছ	১.৫৮ লাখ কোটি টকা

-৩১-০৫-২০১৯ৰ তথ্য মতে

(১১) ১০-১১-২০১৭ত অনুষ্ঠিত জিএছটি পৰিষদৰ ২৩তম বৈঠকত, প্ৰ-পত্ৰ জিএছটিআৰ-৩খ অনুসৰি দাখিল কৰিবলগীয়া ৰিটাৰ্ন বিলম্বিত হ'লে নিতৌ ২০০টকাকৈ দিবলগীয়া বিলম্ব মাছুল হ্ৰাস কৰা হয়। ২০১৭ৰ ১৫ নৱেম্বৰৰ অধিসূচনা নং ৬৪/২০১৭-চেণ্ট্ৰেল টেক্স অনুসৰি, এজোকন কৰদাতাই যাৰ মাহিলী দিবলগীয়া কৰ 'নিল', তেওঁ ভৰিবলগীয়া বিলম্ব মাছুল হৈছে ২০/- টকা দৈনিক (চিজিএছটি আৰু এছজিএছচটি আইনৰ অধীনত নিতৌ ১০/-টকা), এই নিৰিখ ২০১৭ৰ অক্টোবৰৰ পৰা পৰৱৰ্তী সময়ত আইনৰ অধীনত প্ৰত্যেকৰে বাবে সৰ্বাধিক ৫০০০/-টকা। আন সকলো ক্ষেত্ৰত প্ৰ-পত্ৰ জিএছটিআৰ-৩খ অনুসৰি দাখিল কৰিবলগীয়া ৰিটাৰ্ন বিলম্ব হ'লে অন্য কৰদাতাসকলৰ ক্ষেত্ৰত বিলম্ব মাছুল দৈনিক ৫০/-টকালৈ হ্ৰাস কৰা হয় (চিজিএছটি আৰু এছজিএছটি আইনৰ অধীনত প্ৰত্যেকৰ বাবে দৈনিক ২৫/-টকা), এই নিৰিখ ২০১৭ৰ অক্টোবৰৰ পৰা পৰৱৰ্তী সময়ৰ বাবে প্ৰত্যেকৰ ক্ষেত্ৰত সৰ্বাধিক ৫০০০/-টকা।

(১২) ২০১৮ৰ ১ জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ প্ৰস্তুতকৰ্তা আৰু ব্যৱসায়ীসকলে কম্পজিচন স্কিমৰ অধীনত পৰিশোধ কৰিবলগীয়া কৰৰ একেটা নিৰিখ হৈছে ১% (চিজিএছটি আইনৰ অধীনত ০.৫% আৰু সংশ্লিষ্ট এছজিএছটি আইনৰ অধীনত ০.৫%)। ২০১৮ৰ ১জানুৱাৰীত জাৰি কৰা অধিসূচনা নং ১/২০১৮-চেণ্ট্ৰেল টেক্স অনুসৰি এই বিধি বলৱৎ কৰা হয়।

(১৩) এজন লোক যি কম্পজিচন স্কিমৰ বাবে অৰ্হতাসম্পন্ন অথচ তেওঁ কৰ বহিৰ্ভূত সেৱাৰ যোগান ধৰি আছে য'ত জমা সম্প্ৰসাৰণ, ঋণ আৰু আগধন আদি সুত আৰু ৰেহাই হিচাপত উপস্থাপিত হৈছে, তেনে লোক কম্পজিচন স্কিমৰ বাবে অৰ্হতাবিহীন নহয়। তদুপৰি, এই স্কিমৰ অৰ্হতাৰ বাবে মুঠ উপাৰ্জন গণনা কৰোতে, কৰ বহিৰ্ভূত সেৱাৰ উপাৰ্জন, জমা, ঋণ অথবা আগধন আদি সম্প্ৰসাৰণৰ ক্ষেত্ৰত আগবঢ়োৱা সেৱাকে ধৰি সুত আৰু ৰেহাইৰ ক্ষেত্ৰত যিমানদূৰ সম্ভৱ বিবেচনা উপস্থাপিত হৈছে, একোজন কৰদাতাই তেনে ক্ষেত্ৰত ধৰা যোগান ইয়াত অন্তৰ্ভুক্ত নহয়। এই বিধি ১৩-১০-২০১৭ তাৰিখৰ নিৰ্দেশনা নং ০১/২০১৭-চেণ্ট্ৰেল টেক্স অনুসৰি বলৱৎ কৰা হৈছে।

(১৪) ১৮-০১-২০১৮ত অনুষ্ঠিত জিএছটি পৰিষদৰ ২৫তম বৈঠকত সেইসকল কৰভুক্ত লোকক অনুমোদন জনোৱা হয়, যি স্বেচ্ছামূলক পঞ্জীয়ন আহৰণ কৰিছিল আৰু পঞ্জীয়নৰ কাৰ্যকৰী তাৰিখৰ পৰা এবছৰ শেষ হোৱাৰ আগতেই পঞ্জীয়ন বাতিল কৰিবৰ বাবে আবেদন কৰে।

সামৰণি ঃ

অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া প্ৰতিষ্ঠান (এমএছএমই) খণ্ডটো হৈছে ভাৰত চৰকাৰৰ বাবে এটা গুৰুত্বপূৰ্ণ খণ্ড, যাৰ জৰিয়তে ২০২০ চনৰ ভিতৰত অধিক বিনিয়োগৰ সুযোগ সৃষ্টি কৰা হ'ব বুলি আশা কৰা হৈছে। এমএছএমই খণ্ডত আৰোপ কৰা সংকল্পৰ জৰিয়তে এনে প্ৰতিষ্ঠানসমূহৰ ক্ষেত্ৰত বিভিন্ন ৰেহাইৰ সৃষ্টি কৰা হৈছে। যিহেতু এমএছএমইবিলাক ইয়াৰ চৌপাশৰ বাতাৱৰণৰ সৈতে বিস্তৃত ৰূপত খাপ খোৱাকৈ গঢ়ি তোলা হৈছে, সেয়ে এইবিলাকৰ কাম-কাজৰ ক্ষেত্ৰত প্ৰস্তুতি আৰু শৃংখলাবদ্ধতাৰ এটা উন্নত স্তৰ গঢ়ি তুলি ব্যৱসায়ৰ ক্ষেত্ৰত ঢাপে ঢাপে অগ্ৰসৰ হোৱাৰ পৰিকল্পনা কৰা হৈছে। এমএছএমইবিলাকক জিএছটিকে ধৰি সকলো ব্যৱস্থাপনাতে শক্তিশালী কৰি তুলিবৰ বাবে চৰকাৰে গ্ৰহণ কৰা সংকল্পৰ জৰিয়তে আশা কৰা হৈছে যে বৰ্তমান চলি থকা প্ৰত্যাহ্বানবিলাক স্থিৰ কৰিব পৰা যাব আৰু এই উদ্যোগে ক্ৰমান্বয়ে ৰাষ্ট্ৰৰ দৃষ্টি পূৰণ কৰিব পৰাকৈ এটা ইতিবাচক মোৰ ল'ব।

দ্বিতীয় ভাগ

জিএছটি পৰিষদৰ প্ৰধান সিদ্ধান্তসমূহ

অধ্যায় ১

পৰিচয়

অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া প্ৰতিষ্ঠান (এমএছএমই) খণ্ডটো এটা অতি সক্ৰিয় আৰু গতিশীল খণ্ড হিচাপে ভাৰতীয় অৰ্থনীতিত বিগত পাঁচটা দশকত পৰিগণিত হৈছে। কৃষি খণ্ডৰ পিছতে তুলনামূলকভাৱে কম খৰচতে উদ্যমিতা বিকাশ আৰু বৃহত্তম বিনিয়োগৰ সুবিধাৰ সৃষ্টি কৰি এই খণ্ডই দেশৰ অৰ্থনৈতিক আৰু সামাজিক বিকাশৰ প্ৰতি গুৰুত্বপূৰ্ণ অৰিহনা আগবঢ়াইছে। এমএছএমইবিলাক হৈছে বৃহৎ উদ্যোগৰ পৰিপূৰক স্বৰূপ আৰু এইবিলাকে সহায়কাৰী গোট হিচাপে কাম কৰাৰ লগতে এই খণ্ডই দেশৰ সামূহিক ঔদ্যোগিক বিকাশৰ ক্ষেত্ৰত উল্লেখযোগ্য বৰঙণি আগবঢ়াই আহিছে। এই খণ্ডই কৰ্মসংস্থান সৃষ্টি আৰু গ্ৰামীণ ঔদ্যোগীকৰণৰ ক্ষেত্ৰত পৰম্পৰাগত দক্ষতাৰ সৈতে কাৰিকৰী জ্ঞানৰ সংমিশ্ৰণ ঘটাই নতুন উদ্যমৰ সৃষ্টি কৰিছে। দেশৰ অৰ্থনীতিত এমএছএমইবিলাকে বিস্তৃত পৰিসৰৰ সামগ্ৰী আৰু সেৱা উৎপন্ন কৰি দেশীয় বজাৰৰ চাহিদাৰ লগতে গোলকীয় বজাৰৰ চাহিদা পূৰণ কৰি নিজৰ সম্প্ৰসাৰণ ঘটাই আছে।

এমএছএমই মন্ত্ৰণালয়ত উপলব্ধ তথ্য অনুসৰি, দেশত প্ৰস্তুতকৰণ, সেৱা আৰু বাণিজ্যৰ সৈতে জড়িত ৬৩নিযুততকৈয়ো অধিক এমএছএমই আছে, ইয়াৰ আধাতকৈয়ো বেছি অংশ গ্ৰামাঞ্চলত আছে। এই প্ৰতিষ্ঠানবিলাকত প্ৰায় ১১০ নিযুত কৰ্মসংস্থান আছে আৰু দেশৰ মুঠ অৰ্থনৈতিক উপাৰ্জনৰ প্ৰায় ২৯% এই খণ্ডৰ পৰা আহে, এই তথ্য ২০১৫-১৬ত সম্পন্ন কৰা নেচনেল ছেম্প'ল ছাৰ্ভেৰ ৭৩তম ঘূৰণৰ পৰা আহৰণ কৰা হৈছে। দেশত বিনিয়োগৰ সুযোগ সৃষ্টি কৰা আৰু অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত এমএছএমইবিলাকে গ্ৰহণ কৰা ভূমিকাৰ বাবে সিবিলাকক দেশৰ বিধি ব্যৱস্থাৰ সৈতে খাপ খুৱাই সহজে ব্যৱসায় কৰিবলৈ সুযোগ দিবৰ বাবে চৰকাৰে অগ্ৰাধিকাৰ দিছে।

এই কথাৰ স্বীকৃতি স্বৰূপে, জিএছটি আইনত এই খণ্ডক সকাহ দিবৰ বাবে, পদ্ধতি আৰু নিৰিখৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ ভিত্তিত বিবেচনা কৰা হৈছে। এই পৰিপ্ৰেক্ষিতত জিএছটি পৰিষদে ইয়াৰ বিভিন্ন বৈঠকত এমএছএমই খণ্ডৰ মুনাফাৰ বাবে এলানি সিদ্ধান্ত গ্ৰহণ কৰিছে। এনেধৰণৰ গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহৰ বিষয়ে তলত আলোচনা কৰা হ'ল—

২০১৮ৰ ৪আগষ্টত অনুষ্ঠিত ২৯তম বৈঠকত জিএছটি পৰিষদে এলানি পদক্ষেপ গ্ৰহণ কৰে যাৰ জৰিয়তে এমএছএমই খণ্ডই সন্মুখীন হৈ থকা কিছুমান বাধা আঁতৰ কৰা হয়। এই সিদ্ধান্তবিলাকৰ এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত হৈছে— বিভিন্ন অংশীদাৰৰ পৰা লাভ কৰা এমএছএমই সম্পৰ্কীয় উপস্থাপন আৰু মন্তব্যৰ ওপৰত ল কমিটী, ফিটমেণ্ট কমিটী আৰু আইটি কমিটীৰ পৰামৰ্শাৱলী পৰীক্ষা কৰাৰ পিছত এমএছএমইবিলাকৰ সামগ্ৰিক বিকাশৰ বাবে এক সুচল বাতাৱৰণ গঢ়ি তুলিবলৈ মন্ত্ৰীমণ্ডলীৰ গোটে গ্ৰহণ কৰিবলগীয়া পদক্ষেপসমূহ চিনাক্ত কৰিব।

কৰ্মৰত জিএছটি পৰিষদ

অনুষ্ঠিত জিএছটি পৰিষদৰ বৈঠকৰ সংখ্যা	৩৫
জিএছটি পৰিষদত আৰোপিত বৈঠকৰ মানৱঘণ্টা	২৫২০০
জিএছটি পৰিষদৰ বৈঠক আৰু বিষয়াসকলৰ বৈঠকত বিষয়াসকলে দিয়া মানৱঘণ্টা	২৮০০০

-জিএছটি পৰিষদৰ ৩৫তম বৈঠক পৰ্যন্ত

২০১৯ৰ ১০ জানুৱাৰীত অনুষ্ঠিত জিএছটি পৰিষদৰ ৩২তম বৈঠকত এমএছএমই খণ্ডৰ মুনাফাৰ বাবে তলত দিয়া সিদ্ধান্তসমূহ গ্ৰহণ কৰা হয় আৰু এই সিদ্ধান্ত ০১-০৪-২০১৯ৰ পৰা কাৰ্যকৰী কৰা হয়ঃ

- সেৱাৰ যোগনীয়াৰৰ বাবে পঞ্জীয়নৰ পৰা বাদ দিবলৈ আৰু জিএছটি পৰিশোধ কৰিবলৈ মুঠ উপাৰ্জনৰ উচ্চসীমা ২০লাখ টকাত স্থিৰ কৰা হয়। উল্লিখিত সীমা মণিপুৰ, মিজোৰাম, নগালেণ্ড আৰু ত্ৰিপুৰা ৰাজ্যৰ ক্ষেত্ৰত ১০লাখ টকা হ'ব।

- সামগ্ৰীৰ যোগনীয়াৰৰ বাবে পঞ্জীয়নৰ পৰা বাদ দিবলৈ আৰু জিএছটি পৰিশোধ কৰিবলৈ মুঠ উপাৰ্জনৰ উচ্চসীমা ৪০লাখ টকাত স্থিৰ কৰা হয়। উল্লিখিত সীমা অৰুণাচল প্ৰদেশ, মণিপুৰ, মেঘালয়, মিজোৰাম, নগালেণ্ড, পুডুচেৰী, ছিক্কিম, তেলেংগানা, ত্ৰিপুৰা আৰু উত্তৰাখণ্ডৰ ক্ষেত্ৰত ০১-০৪-২০১৯ৰ পৰা কাৰ্যকৰী হোৱাকৈ ২০লাখ টকা হ'ব।

- বিশেষ শাখাৰ ৰাজ্যৰ বাবে (জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ বাহিৰে বাকীবোৰ ৰাজ্য) ১০ লাখ টকা পৰ্যন্ত বাৰ্ষিক উপাৰ্জন থকা হস্তশিল্পৰ যোগনীয়াৰসকল আৰু অন্য ৰাজ্যবিলাকত ২০লাখ টকা পৰ্যন্ত আন্তঃৰাজ্যিক যোগান সম্পন্ন কৰাৰ লগতে একোজন অনানুষ্ঠানিক কৰযোগ্য ব্যক্তি হিচাপে যোগান সম্পন্ন কৰা লোকসকলক জিএছটিৰ অধীনত পঞ্জীয়নৰ আৱশ্যকতাৰ পৰা বাদ দিয়া হৈছে।

- ই-কমাৰ্চ অপাৰেটৰৰ জৰিয়তে যোগান ধৰোতাসকলৰ লগতে আন্তঃৰাজ্যিক যোগান সম্পন্ন কৰা সেৱা প্ৰদানকাৰীসকল, যাৰ বাৰ্ষিক উপাৰ্জন ২০ লাখ টকাতকৈ অধিক নহয়, সেইসকলক জিএছটিৰ অধীনত পঞ্জীয়নৰ আৱশ্যকতাৰ পৰা বাদ দিয়া হৈছে।

- যিসকল কৰযোগ্য লোকে স্বেচ্ছামূলক পঞ্জীয়ন আহৰণ কৰিছে সেইসকলে পঞ্জীয়নৰ কাৰ্যকৰী তাৰিখৰ পৰা এবছৰ শেষ হোৱাৰ আগতেও পঞ্জীয়ন বাতিল কৰিবৰ বাবে আবেদন জনাব পাৰে।

- ২১-০৭-২০১৮ত অনুষ্ঠিত জিএছটি পৰিষদৰ ২৮তম বৈঠকত চিজিএছটি আইন, ২০১৭ আৰু আইজিএছটি আইন, ২০১৭ত কেতবোৰ নিৰ্দিষ্ট সংশোধনৰ পৰামৰ্শ আগবঢ়োৱা হয়, যি এমএছএমই খণ্ডক সহায় কৰিব।

এইক্ষেত্ৰত আগবঢ়োৱা গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহ তলত দিয়া ধৰণৰ ঃ

ক। অসম, অৰুণাচল প্ৰদেশ, হিমাচল প্ৰদেশ, মেঘালয়, ছিক্কিম আৰু উত্তৰাখণ্ড ৰাজ্যত পঞ্জীয়নৰ বাবে কৰ্তনৰ উচ্চসীমা ১০ লাখ টকাৰ পৰা বৃদ্ধি কৰি ২০ লাখ টকা কৰা হয়।

খ। একেখন ৰাজ্য অথবা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ভিতৰতে বেলেগ বেলেগ ঠাইত ব্যৱসায় কৰা কৰদাতাসকলক একাধিক পঞ্জীয়ন কৰিবলৈ অনুমতি প্ৰদান কৰা হয়।

গ। কেৱল সেইসকল ই-কমাৰ্চ অপাৰেটৰৰ বাবে বাধ্যতামূলক পঞ্জীয়নৰ আৱশ্যক হ'ব যিসকলে চিজিএছটি আইন, ২০১৭ৰ অনুচ্ছেদ ৫২ৰ অধীনত উৎসতে কৰ সংগ্ৰহ কৰিব লাগে।

ঘ। পঞ্জীয়ন বাতিলৰ প্ৰক্ৰিয়া চলি থকা অৱস্থাত পঞ্জীয়নৰ সাময়িক বাতিলকৰণক অনুমোদন জনোৱা হ'ব।

বিধি ব্যৱস্থাত ওপৰত উল্লিখিত সংশোধনবিলাক বলৱৎ কৰা হয় আৰু ০১-০২-২০১৯ৰ পৰা কাৰ্যকৰী কৰা হয়।

কৰৰ ভিত্তি

নতুন পঞ্জীয়নৰ সংখ্যা	১,২২,৪৭,৬২৯
প্ৰব্ৰজিত কৰদাতাৰ সংখ্যা	৫৮,৪৮,৩৭৫
কম্পজিচন ডিলাৰৰ সংখ্যা	১৭,৫৫,৮৩২
৫কোটি টকাতকৈ কম উপাৰ্জন থকা কৰদাতাৰ শতাংশ	৯৩%

-১৫-০৬-২০১৯ৰ তথ্য মতে

অধ্যায় ২

কম্পজিচন স্কিম

১১-০৬-২০১৭ত অনুষ্ঠিত জিএছটি পৰিষদৰ ১৬তম বৈঠকৰ পৰামৰ্শাৱলী অনুসৰি, কম্পজিচন স্কিমৰ অধীনত বাৰ্ষিক উপাৰ্জনৰ উচ্চসীমা (প্ৰস্তুতকৰ্তা, ৰেস্তোৰাঁ আৰু ট্ৰেডাৰ ডিলাৰ্ছৰ বাবে ক্ৰমে আকৰ্ষণীয় ২%, ৫% আৰু ১% জিএছটি) এই আঁচনিৰ বাবে অৰ্হতাসম্পন্ন সকলো কৰদাতাৰ বাবে ৫০ লাখ টকাৰ পৰা ৭৫ লাখ টকালৈ বৃদ্ধি কৰা হয়।

- ০৬-১০-২০১৭ত অনুষ্ঠিত জিএছটি পৰিষদৰ ২২তম বৈঠকত কম্পজিচন স্কিমৰ অধীনত যোগ্যতাৰ বাবে মুঠ বাৰ্ষিক উপাৰ্জন ৭৫ লাখ টকাৰ পৰা ১ কোটি টকালৈ ২৭খন ৰাজ্যত বৃদ্ধি কৰা হয় (জম্মু আৰু কাশ্মীৰ আৰু উত্তৰাখণ্ডকে ধৰি); আৰু জম্মু আৰু কাশ্মীৰ আৰু উত্তৰাখণ্ডক বাদ দি বিশেষ শাখাৰ ৰাজ্যত (সংবিধানৰ দফা ২৭৯এৰ অনুচ্ছেদ (৪)ৰ উপ-অনুচ্ছেদ (জি)ত নিৰ্দিষ্ট কৰি দিয়া মতে) ৫০ লাখ টকাৰ পৰা ৭৫লাখ টকা কৰা হয়। এই বিধি ২০১৭ৰ ১৩ অক্টোবৰ তাৰিখৰ অধিসূচনা নং ৪৬/২০১৭-চেণ্ট্ৰেল টেক্স অনুসৰি বলৱৎ কৰা হয়।

- এজন লোক যি কম্পজিচন স্কিমৰ বাবে অৰ্হতাসম্পন্ন অথচ তেওঁ কৰ বহিৰ্ভূত সেৱাৰ যোগান ধৰি আছে য'ত জমা সম্প্ৰসাৰণ, ঋণ আৰু আগধন আদি সুত আৰু ৰেহাই হিচাপত উপস্থাপিত হৈছে, তেনে লোক কম্পজিচন স্কিমৰ বাবে অৰ্হতাবিহীন নহয়। তদুপৰি, এই স্কিমৰ অৰ্হতাৰ বাবে মুঠ উপাৰ্জন গণনা কৰোতে, কৰ বহিৰ্ভূত সেৱাৰ উপাৰ্জন, জমা, ঋণ অথবা আগধন আদি সম্প্ৰসাৰণৰ ক্ষেত্ৰত আগবঢ়োৱা সেৱাকে ধৰি সুত আৰু ৰেহাইৰ ক্ষেত্ৰত যিমানদূৰ সম্ভৱ বিবেচনা উপস্থাপিত হৈছে, একোজন কৰদাতাই তেনে ক্ষেত্ৰত ধৰা যোগান ইয়াত অন্তৰ্ভুক্ত নহয়। এই বিধি ১৩-১০-২০১৭ তাৰিখৰ নিৰ্দেশনা নং ০১/২০১৭-চেণ্ট্ৰেল টেক্স অনুসৰি বলৱৎ কৰা হৈছে।

- তদুপৰি, ১০-১১-২০১৭ত অনুষ্ঠিত জিএছটি পৰিষদৰ ২৩তম বৈঠকৰ পৰামৰ্শাৱলী অনুসৰি, ২০১৮ৰ ১ জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ প্ৰস্তুতকৰ্তা আৰু ব্যৱসায়ীসকলে কম্পজিচন স্কিমৰ অধীনত পৰিশোধ কৰিবলগীয়া কৰৰ একেটা নিৰিখ হৈছে ১% (চিজিএছটি আইনৰ অধীনত ০.৫% আৰু সংশ্লিষ্ট এছজিএছটি আইনৰ অধীনত ০.৫%)। ২০১৮ৰ ১জানুৱাৰীত জাৰি কৰা অধিসূচনা নং ১/২০১৮-চেণ্ট্ৰেল টেক্স অনুসৰি এই বিধি বলৱৎ কৰা হয়।

- ২০১৮ৰ ২১ জুলাইত অনুষ্ঠিত ২৮তম বৈঠকত জিএছটি পৰিষদে কম্পজিচন স্কিমৰ বাবে ইচ্ছুক লোকৰ উপাৰ্জনৰ উচ্চসীমা ১ কোটি টকাৰ পৰা ১.৫ কোটি টকালৈ বৃদ্ধি কৰে। তদুপৰি, কম্পজিচন ডিলাৰসকলক সেৱা যোগান ধৰিবলৈ অনুমতি দিয়া হয় (ৰেস্তোৰাঁ সেৱাৰ বাহিৰে), যাৰ উচ্চসীমা পূৰ্বৰ বিত্তীয় বৰ্ষৰ বাবে ১০%তকৈ অধিক অথবা ৫ লাখ টকা, যিটোৱেই অধিক হয়, হ'ব নোৱাৰিব। এই বিধি ০১-০২-২০১৯ৰ পৰা কাৰ্যকৰী হোৱাকৈ চিজিএছটি (সংশোধন) আইন, ২০১৮ত বলৱৎ কৰা হয়।

- ১০-০১-২০১৯ত অনুষ্ঠিত ৩২তম বৈঠকত জিএছটি পৰিষদে কম্পজিচন স্কিমত অন্তৰ্ভুক্তিৰ বাবে সামগ্ৰীৰ যোগনীয়াৰসকলৰ পূৰ্বৰ বিত্তীয় বৰ্ষৰ বাৰ্ষিক উপাৰ্জনৰ উচ্চসীমা ১.৫ কোটি টকালৈ বৃদ্ধি কৰে। অৰুণাচল প্ৰদেশ, মণিপুৰ, মেঘালয়, মিজোৰাম, নগালেণ্ড, ছিক্কিম, ত্ৰিপুৰা আৰু উত্তৰাখণ্ড আদি বিশেষ শাখাৰ ৰাজ্যত এই সীমা হ'ব ৭৫ লাখ টকা। যোগনীয়াৰসকলে কৰ তিনিমহীয়াকৈ পৰিশোধ কৰি এটাই বাৰ্ষিক ৰিটাৰ্ন দাখিল কৰিবলগা হোৱাত (এটা সাধাৰণ ঘোষণাসহ) কম্পজিচন স্কিমৰ অধীনত অধিক সূচলতা সৃষ্টি কৰা হয়। অধিসূচনা নং ১৪/২০১৯-চেণ্ট্ৰেল টেক্স অনুসৰি এই বিধি ০১-০৪-২০১৯ৰ পৰা বলৱৎ কৰা হয়।
- সেৱাৰ যোগনীয়াৰসকলৰ বাবে (বৰ্তমান উপলব্ধ কম্পজিচন স্কিমৰ বাবে যিসকল অৰ্হতাসম্পন্ন নহয়) একোখন কম্পজিচন স্কিমৰ সুবিধা তেতিয়াহে প্ৰদান কৰা হয়, যিসকলৰ পূৰ্বৰ বিত্তীয় বৰ্ষৰ বাৰ্ষিক উপাৰ্জন ৫০ লাখ টকা পৰ্যন্ত আৰু এইক্ষেত্ৰত কৰৰ নিৰিখ হৈছে ৬% (৩% চিজিএছটি + ৩% এছজিএছটি)। অধিসূচনা নং ২/২০১৯-চেণ্ট্ৰেল টেক্স জাৰি কৰি ০১-০৪-২০১৯ৰ পৰা কাৰ্যকৰী হোৱাকৈ এই বিধি বলৱৎ কৰা হয়।

- কম্পজিচন স্কিমৰ অধীনত থকা কৰদাতাসকলক তিনিমহীয়া ভিত্তিত এনে তিনিমাহ কালৰ পৰৱৰ্তী মাহৰ ১৮ তাৰিখৰ ভিতৰত 'আত্ম-নিৰ্দ্ধপিত কৰ' পৰিশোধ কৰিবলৈ অনুমতি দিয়া হয় আৰু ৩০ এপ্ৰিলৰ ভিতৰত পূৰ্বৰ বিত্তীয় বৰ্ষৰ ৰিটাৰ্ন দাখিল কৰিবলৈ দিয়া হয়। অধিসূচনা নং ২/২০১৯-চেণ্ট্ৰেল টেক্স জাৰি কৰি ০১-০৪-২০১৯ৰ পৰা কাৰ্যকৰী হোৱাকৈ এই বিধি বলৱৎ কৰা হয়।

অধ্যায় ৩

ৰিটাৰ্ন দাখিল

১০-১১-২০১৭ত অনুষ্ঠিত জিএছটি পৰিষদৰ ২৩তম বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয় যে, পূৰ্বৰ বছৰত বাৰ্ষিক উপাৰ্জন ১.৫ কোটি টকা পৰ্যন্ত হোৱা কৰদাতাসকলে তিনিমহীয়াকৈ ৰিটাৰ্ন দাখিল কৰিব পাৰি। অধিসূচনা নং ৫৭/২০১৭-চেণ্ট্ৰেল টেক্স জাৰি কৰি ১৫ নৱেম্বৰ, ২০১৭ৰ পৰা কাৰ্যকৰী হোৱাকৈ এই বিধি বলৱৎ কৰা হয়।

- ২১-০৭-২০১৮ত অনুষ্ঠিত ২৮তম বৈঠকত জিএছটি পৰিষদে পূৰ্বৰ বিত্তীয় বৰ্ষত বাৰ্ষিক উপাৰ্জন ৫ কোটি টকা পৰ্যন্ত হোৱা কৰদাতাসকলক তিনিমহীয়াকৈ ৰিটাৰ্ন দাখিল কৰাৰ সুযোগ দিবৰ বাবে জিএছটি বিধিত কেতবোৰ সংশোধন কৰাৰ পৰামৰ্শ দিয়ে। পৰৱৰ্তী সময়ত, এক নতুন আৰু সহজ ৰিটাৰ্ন দাখিলৰ পদ্ধতি প্ৰচলন কৰিবৰ বাবে বিধিগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ২০১৯ৰ অক্টোবৰৰ পৰা প্ৰস্তাৱিত নতুন ৰিটাৰ্ন দাখিলৰ পদ্ধতি প্ৰচলন কৰা হ'ব।

- ১০-০১-২০১৯ত অনুষ্ঠিত জিএছটি পৰিষদৰ ৩২তম বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয় যে কম্পজিচন স্কিমৰ অধীনত কাম-কাজ সহজ কৰি তোলা হ'ব যিহেতু তেওঁলোকে বৰ্তমান এটা বাৰ্ষিক ৰিটাৰ্ন দাখিল কৰিবলগীয়া হয় কিন্তু কৰ পৰিশোধ তিনিমহীয়া হৈয়ে থাকিব (এটা সাধাৰণ ঘোষণাসহ)। অধিসূচনা নং ২১/২০১৯-চেণ্ট্ৰেল টেক্স অনুসৰি ২৩-০৪-২০১৯ৰ পৰা এই বিধি বলৱৎ কৰা হয়।

ৰিটাৰ্ন পলমকৈ দাখিল কৰা বাবে দিবলগীয়া বিলম্ব মাচুলৰ ক্ষেত্ৰত সকাহ

- ১০-১১-২০১৭ত অনুষ্ঠিত জিএছটি পৰিষদৰ ২৩তম বৈঠকত প্ৰ-পত্ৰ জিএছটিআৰ-৩খত ৰিটাৰ্ন দাখিল কৰোতে পলম হোৱা বাবে ধাৰ্য বিলম্ব মাচুল দৈনিক ২০০ টকাৰ পৰা হ্ৰাস কৰে। অধিসূচনা নং ৬৪/২০১৭-চেণ্ট্ৰেল টেক্স অনুসৰি ২০১৭ৰ ১৫ নৱেম্বৰৰ পৰা এই বিধি বলৱৎ কৰা হয়। যিজন কৰদাতাৰ উক্ত মাহৰ বাবে দিবলগীয়া কৰ 'নিল', তেওঁ দৈনিক বিলম্ব মাচুল ২০/- টকা দিব লাগিব (চিজিএছটি আৰু এছজিএছটি আইনৰ প্ৰত্যেকৰে অধীনত দৈনিক ১০/- টকাকৈ), এইক্ষেত্ৰত ২০১৭ৰ অক্টোবৰৰ পৰা পৰৱৰ্তী সময়ৰ বাবে প্ৰতিখন আইনৰ অধীনত সৰ্বাধিক পৰিমাণ হ'ব ৫০০০/- টকা। আন সকলো ক্ষেত্ৰত, আন কৰদাতাসকলে প্ৰ-পত্ৰ জিএছটিআৰ-৩খত ৰিটাৰ্ন দাখিল কৰোতে পলম কৰাৰ বিনিময়ত দিবলগীয়া বিলম্ব মাচুল দৈনিক ৫০/- টকালৈ হ্ৰাস কৰা হয় (চিজিএছটি আৰু এছজিএছটি আইনৰ প্ৰত্যেকৰ অধীনত দৈনিক ২৫/- টকাকৈ)। এইক্ষেত্ৰত ২০১৭ৰ অক্টোবৰৰ পৰা পৰৱৰ্তী সময়ৰ বাবে প্ৰতিখন আইনৰ অধীনত সৰ্বাধিক নিৰিখ হৈছে ৫০০০/- টকা।

- ১৮-০১-২০১৮ত অনুষ্ঠিত জিএছটি পৰিষদৰ ২৫তম বৈঠকত প্ৰ-পত্ৰ জিএছটিআৰ-১ (যোগান সবিশেষ)ত ৰিটাৰ্ন দাখিল কৰিবলৈ ব্যৰ্থ হোৱা যিকোনো পঞ্জীভুক্ত লোকৰ ক্ষেত্ৰত বিলম্ব মাচুল দৈনিক ৫০/- টকালৈ (চিজিএছটি আৰু এছজিএছটি আইনৰ অধীনত দৈনিক ২৫/- টকাকৈ) হ্ৰাস কৰা হয় আৰু 'নিল' দাখিল কৰোতাসকলৰ বাবে দৈনিক ২০/- টকা (চিজিএছটি আৰু এছজিএছটি আইনৰ প্ৰত্যেকৰ বাবে দৈনিক ১০/- টকাকৈ) কৰা হয়।

- উল্লিখিত আইনৰ অনুচ্ছেদ ৪৭ৰ অধীনত পৰিশোধ কৰিবলগীয়া বিলম্ব মাচুলৰ পৰিমাণ সেইসকল পঞ্জীভুক্ত লোকৰ ক্ষেত্ৰত ৰেহাই দিয়া হয়, যিসকলে প্ৰ-পত্ৰ জিএছটিআৰ-১ত নিৰ্ধাৰিত তাৰিখৰ ভিতৰত ২০১৭ৰ জুলাইৰ পৰা ২০১৮ৰ ছেপ্টেম্বৰলৈ মাহিলী/তিনিমহীয়া বহিৰ্গমন হোৱা যোগানৰ সবিশেষ দাখিল কৰাত ব্যৰ্থ হৈছে কিন্তু ২২-১২-২০১৮ৰ পৰা ৩১-০৩-২০১৯ৰ ভিতৰত প্ৰ-পত্ৰ জিএছটিআৰ-১ত উল্লিখিত সবিশেষ দাখিল কৰে। অধিসূচনা নং ৭৫/২০১৮-চেণ্ট্ৰেল টেক্স অনুসৰি ৩১-১২-২০১৮ৰ পৰা এই বিধি বলৱৎ কৰা হয়।

- উল্লিখিত আইনৰ অনুচ্ছেদ ৪৭ৰ অধীনত পৰিশোধ কৰিবলগীয়া বিলম্ব মাছুলৰ পৰিমাণ সেইসকল পঞ্জীভুক্ত লোকৰ ক্ষেত্ৰত ৰেহাই দিয়া হয়, যিসকলে প্ৰ-পত্ৰ জিএছটিআৰ-৩খত নিৰ্ধাৰিত তাৰিখৰ ভিতৰত ২০১৭ৰ জুলাইৰ পৰা ২০১৮ৰ ছেপ্টেম্বৰলৈ মাহিলী/তিনিমহীয়া বহিৰ্গমন হোৱা যোগানৰ সবিশেষ দাখিল কৰাত ব্যৰ্থ হৈছে কিন্তু ২২-১২-২০১৮ৰ পৰা ৩১-০৩-২০১৯ৰ ভিতৰত প্ৰ-পত্ৰ জিএছটিআৰ-৩খত উল্লিখিত সবিশেষ দাখিল কৰে। অধিসূচনা নং ৭৫/২০১৮-চেণ্ট্ৰেল টেক্স অনুসৰি ৩১-১২-২০১৮ ৰ পৰা এই বিধি বলৱৎ কৰা হয়।

অধ্যায় ৪

ইনপুট টেক্স ক্রেডিটৰ পৰিসৰ

ইনপুট টেক্স ক্রেডিটৰ পৰিসৰ প্ৰসাৰিত কৰা হৈছে আৰু তলত দিয়া ক্ষেত্ৰসমূহত বৰ্তমান ই উপলব্ধ ঃ

(১) ১৩জনতকৈ অধিক লোক বহিব পৰা (চালককে ধৰি) মানুহৰ যাতায়াতৰ বাবে ব্যৱহৃত যান-বাহন, এনে যান-বাহনৰ চলাচল প্ৰক্ৰিয়াত ব্যৱহৃত জলযান আৰু বিমান, যাত্ৰীৰ পৰৱৰ্তী পৰিবহণ অথবা এনে যান-বাহনৰ চালনাৰ বাবে প্ৰশিক্ষণ/যাত্ৰীৰ চোৰা-চিতা অথবা উৰণ;

(২) (২)ত উল্লেখ থকা এনে যান-বাহন, জলযান আৰু বিমানৰ ক্ষেত্ৰত থকা সাধাৰণ বীমা, মেৰামতি আৰু চোৰা-চিতাৰ সেৱাৰ ওপৰতো 'ক্রেডিট' উপলব্ধ, যদিহে তাত উল্লেখ কৰা ধৰণে এইবিলাক ব্যৱহৃত হয় আৰু যেতিয়া জড়িত কৰযোগ্য লোকে গ্ৰহণ কৰে।

(৩) সংশ্লিষ্ট সময়ত বলৱৎ হৈ থকা যিকোনো আইনৰ অধীনত একোজন নিযুক্তিকৰ্তাই তেওঁৰ কৰ্মচাৰীক দিবলৈ বাধ্য হোৱা সামগ্ৰী অথবা সেৱা।

কেন্দ্ৰীয় সামগ্ৰী আৰু সেৱা কৰ (সংশোধন) আইন, ২০১৮ৰ জৰিয়তে ০১-০২-২০১৯ৰ পৰা কাৰ্যকৰী হোৱাকৈ এই পদক্ষেপ গ্ৰহণ কৰা হয়। কৰদাতাসকলক সুযোগ প্ৰদান কৰিবৰ বাবে নিৰ্ধাৰিত তাৰিখ সম্প্ৰসাৰিত কৰি বিত্তীয় বৰ্ষ ২০১৭-১৮ৰ বাবে ইনভইচত অথবা ডেবিট নোটত আইটিচি লাভ কৰিবলৈ এটা জটিলতা আঁতৰোৱাৰ নিৰ্দেশনা (Removal of Difficulty Order) জাৰি কৰা হয়।

অধ্যায় ৫

ৰপ্তানি

এড্‌ভাঞ্চ অথৰাইজেচন (এএ)/এক্সপৰ্ট প্ৰমোচন কেপিটেল গুড্‌ছ (ইপিচিজি)/১০০% এক্সপৰ্ট অৰিয়েণ্টেড ইউনিট্‌ছ (ইঅ'ইউ) আঁচনিবিলাকে দেশীয় বজাৰৰ লগতে বিদেশৰ পৰাও ইনপুট আহৰণ কৰে। এনে ধৰণৰ এএ/ইপিচিজি আৰু ইঅ'ইউবিলাকে আমদানিৰ ওপৰত আইজিএছটি,

নিষ্পত্তি হোৱা জিএছটি ৰাপোচ

ৰাপোচ	দাবীৰ সংখ্যা	জুলাই ২০১৭ৰ পৰা মে' ২০১৯লৈ (কোটি টকা হিচাপত)
মুঠ ৰাপোচ (চিজিএছটি +এছজিএছটি + ইউজিএছটি+উপকৰ+ আইজিএছটি	২৫,৭৪,৪৫২	১,৫৪,৮২৮

-২৩-০৬-২০১৯ৰ তথ্য মতে

উপকৰ (cess) ইত্যাদি দিব নালাগে। তদুপৰি, এএ/ইপিচিজি আৰু ইঅ'ইউৰ ধাৰণকাৰীক কৰা দেশীয় যোগানক চিজিএছটি/এছজিএছটি আইনৰ অনুচ্ছেদ ১৪৭ৰ অধীনত ৰপ্তানি হিচাপে গণ্য কৰা হয় আৰু এনেধৰণৰ যোগানৰ ওপৰত পৰিশোধ কৰা কৰৰ ৰাপোচ বা ৰিফাণ্ড ১৮-১০-২০১৭ তাৰিখৰ অধিসূচনা নং ৪৮/২০১৭-চেণ্ট্ৰেল টেক্স অনুসৰি যোগনীয়াৰক দিয়া হয় অথবা গ্ৰহণ কৰোতাক দিয়া হয়।

- একোজন পঞ্জীভুক্ত যোগনীয়াৰে বণিক ৰপ্তানিকাৰীক ৰপ্তানিৰ বাবে যোগান ধৰা কৰযোগ্য সামগ্ৰীৰ ওপৰত মুঠ জিএছটিৰ নিৰিখ হ'ব ০.১% আৰু ইয়াৰ জৰিয়তে ৰপ্তানিকাৰীৰ কাম-কাজৰ মূলধনত থকা বাধা হ্ৰাস কৰা হয়।

- ২১-০৭-২০১৮ত অনুষ্ঠিত জিএছটি পৰিষদৰ ২৮তম বৈঠকত পৰামৰ্শ দিয়া হয়ঃ

  ক। ৰপ্তানি হিচাপে যোগ্যতা অৰ্জন কৰিবলৈ কৰা সেৱাৰ যোগান, আনকি ভাৰতীয় টকাত পৰিশোধ যদি গ্ৰহণ কৰা হয়, আৰবিআইয়ে য'ত অনুমোদন জনায়;

  খ। ভাৰতলৈ সাময়িকভাৱে আমদানি কৰা সামগ্ৰীৰ ওপৰত কৰা যিকোনো ধৰণৰ কাম-কাজ অথবা প্ৰক্ৰিয়াৰ কামৰ ক্ষেত্ৰত যোগানৰ স্থান আৰু তাৰ পিছত ভাৰতত কোনো ধৰণৰ ব্যৱহাৰ নোহোৱাকৈ ভাৰতৰ বাহিৰলৈ যদিহে ৰপ্তানি কৰা হয়।

জিএছটি আইনত এই সংশোধনীবিলাক প্ৰয়োগ কৰা হয় আৰু ০১-০২-২০১৯ৰ পৰা কাৰ্যকৰী কৰা হয়।

- প্ৰ-পত্ৰ জিএছটি আৰএফডি-০১কত ৰাপোচৰ বাবে কৰা দাবীৰ সৈতে সম্পৰ্ক থকা সকলো যাৱতীয় নথি-পত্ৰ/চালান ৰাপোচৰ আবেদন দাখিল কৰাৰ সময়ত উমৈহতীয়া পৰ্টেলত বৈদ্যুতিনভাৱে আপলোড কৰিবৰ লাগিব, ইয়াৰ ফলত একোজন কৰদাতাই ৰাপোচৰ আবেদন দাখিল কৰিবৰ বাবে একোটা কৰ কাৰ্যালয়লৈ সোঁশৰীৰে নগ'লেও হয়।

অধ্যায় ৬

কৰ পৰিশোধ

সামগ্ৰীৰ যোগান সম্পন্ন কৰা পঞ্জীভুক্ত লোকে চালান বা ইনভইচ জাৰি কৰাৰ সময়ত কৰ পৰিশোধ কৰিব লাগে আৰু আগধন লোৱাৰ সময়ত কৰিব নালাগে। অধিসূচনা নং ৬৬/২০১৭-চেণ্ট্ৰেল টেক্স অনুসৰি ২০১৭ৰ ১৫ নৱেম্বৰৰ পৰা ইয়াক কাৰ্যকৰী কৰা হয়।

- এক শ্ৰেণীৰ লোকক, যিসকল সামগ্ৰী আৰু সেৱা অথবা উভয়ৰে নিৰ্ধাৰিত শাখা অনুসৰি ওলোটা মাছুল (reverse charge) ৰ অধীনত কৰ পৰিশোধ কৰিবলৈ দায়বদ্ধ, তেনে লোকক জাননী জাৰি কৰিবলৈ চৰকাৰক ক্ষমতা প্ৰদান কৰিবৰ বাবে চিজিএছটি আইন, ২০১৭ৰ অনুচ্ছেদ ৯ৰ উপ-অনুচ্ছেদ (৪) আৰু আইজিএছটি আইন, ২০১৭ৰ অনুচ্ছেদ ৫ৰ উপ-অনুচ্ছেদ (৪) আৰু ইউনিয়ন টেৰিটৰী গুড্‌ছ এণ্ড ছাৰ্ভিচেছ টেক্স আইন, ২০১৭(ইউটিজিএছটি আইন, ২০১৭)ৰ অনুচ্ছেদ ৭ৰ উপ-অনুচ্ছেদ (৪)ৰ সংশোধন ঘটোৱা হয়। বৰ্তমানলৈকে উল্লিখিত ব্যৱস্থাৰ অধীনত কোনো অধিসূচনা জাৰি কৰা হোৱা নাই।

অধ্যায় ৭

বিবিধ পৰিৱৰ্তন

জিএছটি পৰিষদৰ ২০১৮ৰ ২১ জুলাইত অনুষ্ঠিত ২৮তম বৈঠকত চিজিএছটি আইন, ২০১৭ আৰু আইজিএছটি আইন, ২০১৭ত নিম্নোল্লিখিত আন কেতবোৰ সংশোধনৰ পৰামৰ্শ দিয়া হয়, যিবিলাক এমএছএমই খণ্ডৰ সহায়ক আৰু ব্যৱসায়ৰ অনুকূল ঃ

- একোটা বিত্তীয় বৰ্ষত জাৰি কৰা একাধিক ইনভইচৰ ক্ষেত্ৰত পঞ্জীভুক্ত লোকক একত্ৰিত ক্ৰেডিট/ডেবিট নোট জাৰি কৰিবলৈ অনুমতি দিয়া হ'ব।

- হাজিৰা কামৰ ক্ষেত্ৰত ইনপুট আৰু প্ৰেৰিত মূলধনৰ ৰিটাৰ্নৰ বাবে সময়সীমা ক্ৰমে এবছৰ আৰু দুবছৰলৈ সম্প্ৰসাৰণ কৰিবৰ বাবে আয়ুক্তক ক্ষমতা প্ৰদান কৰা হ'ব।

- এপিলেট অথৰিটী আৰু এপিলেট ট্ৰিবিউনেলত চিজিএছটি আইন, ২০১৭ৰ অধীনত আবেদন দাখিলৰ বাবে আগতীয়াকৈ জমা দিবলগীয়া ধনৰাশি ক্ৰমে ২৫ কোটি টকা আৰু ৫০ কোটি টকা কৰা হ'ব।

০১-০২-২০১৯ৰ পৰা এই পদক্ষেপ কাৰ্যকৰী কৰা হয়।

অধ্যায় ৮

হস্তশিল্পৰ ওপৰত জিএছটি

জিএছটি পৰিষদৰ ০৯-০৯-২০১৭ত অনুষ্ঠিত ২১তম বৈঠকৰ পৰামৰ্শাৱলী অনুসৰি হস্তশিল্পৰ ক্ষেত্ৰত নিম্নোল্লিখিত পৰিৱৰ্তনবিলাক সাধন কৰা হয়ঃ

- বিশেষ শাখাৰ ৰাজ্যবিলাকৰ বাবে (জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ বাহিৰে) বাৰ্ষিক উপাৰ্জন ১০ লাখ টকা পৰ্যন্ত হোৱা হস্তশিল্পৰ যোগনীয়াৰসকলৰ ক্ষেত্ৰত পঞ্জীয়নৰ পৰা ৰেহাই দিয়া আৰু অন্য ৰাজ্যসমূহৰ বাবে আন্তঃৰাজ্যিক যোগান সম্পন্ন কৰা যোগনীয়াৰৰ লগতে সাময়িক কৰযোগ্য ব্যক্তি হিচাপে যোগান সম্পন্ন কৰা লোকৰ ক্ষেত্ৰত ২০ লাখ টকা পৰ্যন্ত ধাৰ্য কৰা হয়।

- ২৮%ৰ পৰা ১২%লৈ জিএছটিৰ নিৰিখ এইবিলাকৰ ওপৰত হ্ৰাস কৰা হয়ঃ

- মূৰ্তি, সৰু মূৰ্তি, বেদী; অধিক বা কম সাহায্য; ক্ৰুছ; জন্তুৰ শৰীৰৰ আকৃতি; বাতি, ফুলদানি, পিয়লা; মুখশুদ্ধি ৰখা বাকচ (cachou boxes); লিখন সঁজুলি; ছাইদানি; পেপাৰ ৱেইট; কৃত্ৰিম ফল আৰু পাত, ইত্যাদি; অন্য আলংকাৰিক সামগ্ৰী বিশেষকৈ যিবোৰ পাথৰৰ
- পাথৰ খটুৱাই কৰা কাম
- বন কৰা হাতীৰ দাঁত, হাড়, কাছৰ চলং, শিং, পহুৰ শিং, জলজ উদ্ভিদ, মুকুতাৰ মাতৃ আৰু জন্তুৰ পৰা আহৰণ কৰা অন্য সামগ্ৰী, এনে সামগ্ৰীৰে নিৰ্মিত বিভিন্ন বস্তু (গলাই আহৰণ কৰা বিভিন্ন বস্তুকে ধৰি)

- ০ পাত্ৰ, জাৰ, মাটিৰ পাত্ৰ টোপোলা কৰিবলৈ আৰু দিবলৈ ব্যৱহৃত একেধৰণৰ সামগ্ৰী
- ০ টেবুলত থোৱা বস্তু, পাকঘৰৰ বস্তু, অন্যান্য ঘৰত ব্যৱহাৰ কৰা সামগ্ৰী আৰু পৰ্চিলেইন অথবা চীনামাটিৰ সামগ্ৰীৰ বাহিৰে অন্য প্ৰসাধন সামগ্ৰী (ক্ষুদ্ৰ স্নানাগাৰ বা অনাময় ব্যৱস্থাত ব্যৱহৃত সামগ্ৰী যেনে— চাবোনৰ ডিছ, স্পঞ্জৰ বাস্কেট, টুথ ব্ৰাছ হ'ল্ডাৰ, টাৱেল হুক আৰু টয়লেট পেপাৰ হ'ল্ডাৰকে ধৰি)।
- \- বেতৰ সঁজুলিৰ জিএছটি নিৰিখ ২৮%ৰ পৰা ১৮%লৈ হ্ৰাস কৰা হয়।
- \- কাগজৰ পৰা তৈয়াৰী সামগ্ৰীৰ জিএছটি নিৰিখ ১৮%ৰ পৰা ৫%লৈ হ্ৰাস কৰা হয়।
- \- এইবিলাকৰ ওপৰত জিএছটি নিৰিখ ১৮%ৰ পৰা ১২%লৈ হ্ৰাস কৰা হয়ঃ
- ০ কাচৰ মূৰ্তি;
- ০ কাঠেৰে নিৰ্মিত টেবুল থোৱা আৰু পাকঘৰৰ সামগ্ৰী ইত্যাদি
- ০ কাঠেৰে নিৰ্মিত সামগ্ৰী যেনে— বাকচ, সজোৱা সামগ্ৰী, পানীয় ৰখা বাকচ ইত্যাদি
- ০ ঘণ্টা, টিলিঙা আৰু একেধৰণৰ সামগ্ৰী, অবৈদ্যুতিক, মূল ধাতুৰ; সৰু মূৰ্তি আৰু অন্যান্য অলংকাৰ, মূল ধাতুৰে নিৰ্মিত; আলোকচিত্ৰ, ছবি অথবা একেধৰণৰ সজ্জা, মূল ধাতুৰে নিৰ্মিত; মূল ধাতুৰ দাপোন; ধাতুৰে নিৰ্মিত বিড্ৰিৱেৰ।
- \- ধূপবাতি, ধূপ, ছন্তৰনি আৰু একেধৰণৰ আন বস্তু, ঘাঁহ, পাত আৰু কঠ, সৰু মোনা, হাচতিকে ধৰি নল-খাগৰি আৰু আঁহেৰে তৈয়াৰী সামগ্ৰী।

- ২১-০৭-২০১৮ত অনুষ্ঠিত জিএছটি পৰিষদৰ ২৮তম বৈঠকৰ পৰামৰ্শাৱলী অনুসৰি হস্তশিল্পৰ ক্ষেত্ৰত নিম্নোল্লিখিত পৰিৱৰ্তনসমূহ সাধন কৰা হয়ঃ

- \- তলত দিয়া হস্তনিৰ্মিত সামগ্ৰীসমূহৰ ক্ষেত্ৰত জিএছটি নিৰিখ ১৮%ৰ পৰা ১২% লৈ হ্ৰাস কৰা হয়ঃ
- ০ সৰু হাত মোনা আৰু পাৰ্চকে ধৰি বিভিন্ন হাত মোনা; গহনা বাকচ
- ০ চিত্ৰাংকন, আলোকচিত্ৰ, দাপোন ইত্যাদিৰ বাবে ব্যৱহৃত কাঠৰ সাজ
- ০ গছৰ বাকলিৰ পৰা তৈয়াৰী সামগ্ৰী (শ্বলাপিঠৰ সামগ্ৰীকে ধৰি)
- ০ পাথৰেৰে কৰা শিল্পকৰ্ম, পাথৰেৰে কৰা বিভিন্ন কামৰ সামগ্ৰী
- ০ আলংকাৰিক সাজ থকা দাপোন
- ০ কাচৰ মূৰ্তি (ক্ৰিষ্টেলৰ বাহিৰে)

- কাচৰ শিল্পকৰ্ম (পাত্ৰ, জাৰ, পূজাৰ সামগ্ৰী, পানীয় ৰখা ডাঙৰ পাত্ৰ, কেক ক'ভাৰ, টিউলিপ বটল, ফুলদানি)
- লোৰ শিল্পকৰ্ম
- পিতল, তামৰ শিল্পকৰ্ম/তামৰ সঁজুলি, নিকেল/ছিলভাৰ খটুওৱা বৈদ্যুতিন সঁজুলি
- এলুমিনিয়ামৰ শিল্পকৰ্ম
- হস্তনিৰ্মিত বন্তি (পাঁচলোগা লেম্পকে ধৰি)
- বন কৰা পাচলি অথবা খনিজ পদাৰ্থৰ সামগ্ৰী, মমৰ সামগ্ৰী, ষ্টেৰিনৰ সামগ্ৰী, প্ৰাকৃতিক আঠা অথবা প্ৰাকৃতিক ৰেজিন অথবা প্ৰস্তুত কৰি লোৱা আঠা ইত্যাদি (বাৰ্নিছৰ বাবে ব্যৱহাৰ কৰা সামগ্ৰীৰে নিৰ্মিত বস্তুকে ধৰি)
- গাঞ্জিফা কাৰ্ড

\- তলত দিয়া হস্তনিৰ্মিত সামগ্ৰীবিলাকৰ ক্ষেত্ৰত জিএছটি নিৰিখ ১২%ৰ পৰা ৫%লৈ হ্ৰাস কৰা হয়ঃ

- হস্তনিৰ্মিত কাৰ্পেট আৰু অন্যান্য হস্তনিৰ্মিত বস্ত্ৰৰে তৈয়াৰী ফ্ল'ৰ ক'ভাৰ (নামদা/গাব্বাকে ধৰি)
- হস্তনিৰ্মিত জৰী বা লেচ
- হাতেৰে গোঁঠা কাপোৰৰ সামগ্ৰী
- হস্তনিৰ্মিত বেনী আৰু বিভিন্ন আলংকাৰিক সামগ্ৰী
- দুৱাৰডলিত সজোৱা কাপোৰৰ সামগ্ৰী।

অধ্যায় ৯

বস্ত্ৰশিল্পৰ ওপৰত জিএছটি নিৰিখ

জিএছটি পৰিষদৰ ০৩-০৬-২০১৭ত অনুষ্ঠিত ১৫তম বৈঠকত বস্ত্ৰশিল্পৰ ওপৰত আৰোপিত জিএটি নিৰিখৰ গাঁথনি সহজ কৰি তোলা হয়। পূৰ্বৰ জিএছটিৰ কৰ আৰোপনৰ ঘটনাসমূহৰ ওপৰত ভিত্তি কৰি মানুহে তৈয়াৰ কৰা বিভিন্ন হাতৰ আৰু আঁহৰ সামগ্ৰীৰ ওপৰত ১৮% জিএছটিৰ পৰামৰ্শ দিয়ে পৰিষদে। পৰৱৰ্তী সময়ত জিএছটিৰ আগৰ আমোলত মানুহৰ দ্বাৰা তৈয়াৰী বস্ত্ৰশিল্পৰ ওপৰত কোনো কৰ নথকা কথাটো বিবেচনা কৰি (যদিও কেন্দ্ৰীয় আবকাৰী শুল্ক আৰু মূল্য সংযোজিত কৰ ১১%তকৈয়ো অধিক আছিল), পৰিষদে মানৱ নিৰ্মিত বস্ত্ৰশিল্পকে ধৰি কাপোৰৰ সকলো সামগ্ৰীৰ ওপৰত জিএছটি নিৰিখ ৫% স্থিৰ কৰিবলৈ পৰামৰ্শ দিয়ে। পৰিষদে লগতে বৃহৎ পৰিমাণৰ ৰাপোচ সৃষ্টিত বাধা আৰোপ কৰিবলৈ মানৱ নিৰ্মিত কাপোৰৰ সামগ্ৰীৰ প্ৰস্তুতিৰ ওপৰত একত্ৰিত আইটিচিৰ ৰাপোচত কঠোৰতা আৰোপ কৰি পৰামৰ্শ আগবঢ়ায়।

- পৰিণামস্বৰূপে, বস্ত্ৰশিল্পৰ ওপৰত জিএছটি নিৰিখৰ ক্ষেত্ৰত নিম্নোল্লিখিত পৰিৱৰ্তনসমূহ সাধন কৰা হয়ঃ

- ০৯-০৯-২০১৭ত অনুষ্ঠিত জিএছটি পৰিষদৰ ২১তম বৈঠকৰ পৰামৰ্শাৱলী অনুসৰি, খাদী আৰু গ্ৰামোদ্যোগ আয়োগৰ দ্বাৰা অনুমোদিত বিপণীত বিক্ৰী কৰা খাদী বস্ত্ৰশিল্পক জিএছটিৰ পৰা ৰেহাই দিয়া হয়, ইয়াৰ জৰিয়তে এমএছএমই খণ্ডক সকাহ দিয়া হয়। পৰৱৰ্তী সময়ত, এমএছএমই খণ্ডত ব্যৱহৃত হোৱা বাবে শাৰী ফলছৰ ওপৰত জিএছটি নিৰিখ ১২%ৰ পৰা ৫%লৈ হ্ৰাস কৰা হয়।

- ০৬-১০-২০১৭ত অনুষ্ঠিত জিএছটি পৰিষদৰ ২২তম বৈঠকৰ পৰামৰ্শাৱলী অনুসৰি, সকলো ধৰণৰ এমএমএফ সুতা আৰু আঁহৰ পৰা তৈয়াৰী সামগ্ৰীৰ ওপৰত জিএছটি নিৰিখ ১৮%ৰ পৰা ১২%লৈ হ্ৰাস কৰা হয় যিহেতু এমএছএমই খণ্ডৰ বস্ত্ৰ প্ৰস্তুতকৰ্তাসকলে এইবিলাক ব্যৱহাৰ কৰে। পৰৱৰ্তী সময়ত ছুৰাট জাৰি প্ৰস্তুতকৰ্তা সংস্থাৰ অনুৰোধ ক্ৰমে প্ৰকৃতি জাৰিৰ ওপৰত জিএছটি নিৰিখ ১২%ৰ পৰা ৫% লৈ হ্ৰাস কৰা হয়।

- ১০-১১-২০১৭ত অনুষ্ঠিত জিএছটি পৰিষদৰ ২৩তম বৈঠকৰ পৰামৰ্শাৱলী অনুসৰি, এমএছএমই খণ্ডৰ নিম্নোল্লিখিত বস্ত্ৰ সামগ্ৰীৰ ওপৰত জিএছটিৰ নিৰিখ ১২%ৰ পৰা ৫%লৈ হ্ৰাস কৰা হয়ঃ
  - মৰাপাটৰ পঘা, নাৰিকলৰ আঁহৰ জৰী বা ৰছী
  - জৰীৰে গোঁঠা সামগ্ৰী, পঘা বা ৰছী; বস্ত্ৰশিল্পৰ সামগ্ৰীৰে প্ৰস্তুত কৰা মাছ ধৰা জাল আৰু অন্যান্য তৈয়াৰী জাল
  - নাৰিকলৰ আঁহেৰে বনোৱা সামগ্ৰী
  - ৫৮০৭ শীৰ্ষৰ সামগ্ৰীৰ বাহিৰে অন্য ঠেককৈ গোঁঠা বস্ত্ৰশিল্প; আঠা নলগোৱাকৈ প্ৰস্তুত কৰা ঠেক কাপোৰৰ বস্ত্ৰশিল্প
  - পিন্ধা কাপোৰ আৰু অন্য পিন্ধা সামগ্ৰী; কম্বল

- ২১-০৭-২০১৮ত অনুষ্ঠিত জিএছটি পৰিষদৰ ২৮তম বৈঠকৰ পৰামৰ্শাৱলী অনুসৰি ৫৮০১শীৰ্ষৰ অধীনৰ ভেলভেটৰ বস্ত্ৰ আৰু অন্য বস্ত্ৰৰ জিএছটি নিৰিখ ১২%ৰ পৰা ৫%লৈ হ্ৰাস কৰা হয়।

• জিএছটিৰ অধীনত বৰ্তমানৰ বস্ত্ৰশিল্পৰ নিৰিখ তলত দিয়া ধৰণৰঃ

- কঁপাহৰ সকলো আঁহ আৰু অন্য প্ৰাকৃতিক আঁহ ৫%ত
- মানৱ নিৰ্মিত আঁহ ১৮%ত
- চেপ্টাৰ ৫০ৰ পৰা ৫৫ আৰু ৬০লৈ থকা বস্ত্ৰৰ সাধাৰণতে ৫%, একত্ৰিত আইটিচিৰ ৰাপোচ নোহোৱাকৈ
- আন সকলো কাপোৰ (অৰ্থাৎ কোমল পৰা কাপোৰ, নোবোৱা কাপোৰ; বিশেষ আঁহ; জৰী, গুলী সুতা, ৰছী আৰু ইবিলাকৰ পৰা তৈয়াৰী সামগ্ৰী; কাৰ্পেট আৰু অন্যান্য মজিয়াত পৰা কাপোৰ; বিশেষভাৱে বোৱা কাপোৰ; বন কৰা বস্ত্ৰশিল্প; লেচ; সজোৱা কাপোৰৰ সামগ্ৰী; এম্বইডাৰী; বিশেষভাৱে দেখনীয়াৰকৈ, সজোৱা, ঢাকনি হিচাপে ব্যৱহাৰ কৰা কাপোৰৰ সামগ্ৰী; ঔদ্যোগিক ব্যৱহাৰৰ বাবে সুবিধাজনক কাপোৰেৰে তৈয়াৰী সামগ্ৰী)ত জিএছটি নিৰিখ ১২%।

- প্ৰস্তুত পিন্ধা কাপোৰ আৰু তৈয়াৰী বস্ত্ৰশিল্পঃ
  - প্ৰতিবিধত ১০০০টকাতকৈ বিক্ৰী মূল্য অধিক নহ'লে— ৫%
  - প্ৰতিবিধত বিক্ৰী মূল্য ১০০০ টকাতকৈ অধিক হ'লে— ১২%

- কাপোৰৰ সামগ্ৰী প্ৰস্তুতকৰ্তাসকলৰ বাবে ওলোটা শুল্ক গাঁথনিৰ ক্ষেত্ৰত একত্ৰিত ক্ৰেডিটৰ ৰাপোচঃ

ওলোটা কৰৰ গাঁথনিৰ আধাৰত একত্ৰিত আইটিচি দিয়া নহ'লে কাপোৰৰ ওপৰত জিএছটি নিৰিখ হ'ব ৫%। এই চৰ্তৰ পৰিপ্ৰেক্ষিতত বস্ত্ৰ খণ্ডই সন্মুখীন হোৱা জটিলতাৰ কথা বিবেচনা কৰাৰ পিছত, ২১-০৭-২০১৮ত অনুষ্ঠিত জিএছটি পৰিষদৰ ২৮তম বৈঠকত পৰামৰ্শৰ ভিত্তিত ২৭-০৭-২০১৮ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ ওলোটা শুল্ক গাঁথনিৰ বাবে বস্ত্ৰশিল্পৰ ক্ষেত্ৰত ৰাপোচৰ অনুমতি প্ৰদান কৰা হয়। এইক্ষেত্ৰত ২৪-০৮-২০১৮ তাৰিখে চাৰ্কোলাৰ নং ৫৬/৩০/২০১৮-জিএছটি অনুসৰি বাণিজ্য আৰু উদ্যোগৰ বাবে বস্ত্ৰশিল্পৰ ৰাপোচৰ ক্ষেত্ৰত থকা নিষেধাজ্ঞাসমূহ উঠাই দিয়া বুলি এক স্পষ্টীকৰণ দিয়া হয়।

অধ্যায় ১০

সামগ্ৰী-নিৰিখ হ্ৰাসকৰণ

এমএছএমই সামগ্ৰীৰ ওপৰত জিএছটি নিৰিখত হোৱা পৰিৱৰ্তন

ক্ৰঃ নং	বিৱৰণ	পৰামৰ্শ দিয়া/কাৰ্যকৰী কৰা জিএছটি নিৰিখৰ পৰিৱৰ্তন	
		পৰা	লৈ
২০১৭ৰ ৯ছেপ্টেম্বৰত অনুষ্ঠিত ২১তম বৈঠক			
১।	ৰাবাৰ বেণ্ড	২৮%	১২%
২।	প্লাষ্টিক ৰেইনকোট	২৮%	১৮%
৩।	কাঠ, শিলৰ পুতলা (মাৰ্বলকে ধৰি) আৰু ধাতু (মূল্যবান ধাতুৰে নিৰ্মিতবিলাকক বাদ দি	২৮%	১২%
৪।	মাটিৰে নিৰ্মিত পুতলা	২৮%	নাই
৫।	কাপোৰৰ টুপী	১৮%	১২%
৬।	কাঠেৰে নিৰ্মিত টেবুলত থোৱা আৰু পাকঘৰৰ বস্তু	১৮%	১২%
৭।	টেবুলত থোৱা, পাকঘৰৰ, অন্য ঘৰুৱা সামগ্ৰী আৰু পৰ্চিলিন বা চীনামাটিৰে নিৰ্মিত প্ৰসাধন সামগ্ৰী (স্নানাগাৰ বা অনাময় ব্যৱস্থাত ব্যৱহৃত অন্য সামগ্ৰী যেনে- চাবোন থোৱা ডিছ, স্পঞ্জৰ বাস্কেট, টুথব্ৰাছ হ'ল্ডাৰ টাৱেল হুক আৰু টয়লেট পেপাৰ হ'ল্ডাৰ)	১৮%	১২%
৮।	কঁপাহৰ লেপ	১৮%	যিবিলাকৰ দাম ১০০০ টকাৰ বেছি নহয় সেই বিলাকত ৫% আৰু যি বিলাকৰ দাম ১০০০টকাতকৈ বেছি সেইবিলাকত ১২%
৯।	শাৰীৰ ফলছ	১২%	৫%
১০।	বন নকৰা হীৰাকে ধৰি ৰুক্ষ ঔদ্যোগিক হীৰা	৩%	০.২৫%
২০১৭ৰ ৬ অক্টোবৰত অনুষ্ঠিত ২২তম বৈঠক			
১।	খাক্ৰা	১২%	৫%
২।	খোলা পাত বাইণ্ডাৰ বা ফাইল, লেটাৰ ক্লিপ্‌ছ, লেটাৰ কৰ্ণাৰ্ছ, পেপাৰ ক্লিপ্‌ছ, ইণ্ডেক্সিং টেগ্‌ছ আৰু একেধৰণৰ কাৰ্যালয় সামগ্ৰী, মূল ধাতুৰ; ষ্টেপলৰ ষ্ট্ৰিপ (কাৰ্যালয়ত, বস্তু ধৰি ৰাখিবলৈ, টোপোলা কৰোতে ব্যৱহৃত), মূল ধাতুৰ	২৮%	১৮%
৩।	পোষ্টাৰ কালাৰ	২৮%	১৮%
৪।	ল'ৰা-ছোৱালীৰ আমোদৰ বাবে মডেলিং পেষ্ট	২৮%	১৮%

ক্রঃ নং	বিৱৰণ	পৰামৰ্শ দিয়া/কাৰ্যকৰী কৰা জিএছটি নিৰিখৰ পৰিৱৰ্তন	
		পৰা	লৈ
২০১৭ৰ ১০নৱেম্বৰত অনুষ্ঠিত ২৩তম বৈঠক			
১।	আতচবাজি, ছিগ্‌নেলিং ফ্লেয়াৰ্চ, ৰেইন ৰকেট, ফগ ছিগ্‌নেল আৰু অন্য আতচবাজিৰ সামগ্ৰী	২৮%	১৮%
২।	ট্ৰাংক, চুটকেছ, ভেনিটি কেছ, এক্সিকিউটিভ কেছ, ব্ৰিফ কেছ, স্কুল বেগ, স্পেকটেকল কেছ, বাইনকুলাৰ কেছ, বাদ্যযন্ত্ৰৰ কেছ, বন্দুকৰ কেছ, হলষ্টাৰ আৰু একেধৰণৰ আধাৰ; ট্ৰেভেলিং বেগ, খাদ্য-সামগ্ৰীৰ মোনা, প্ৰসাধন মোনা, পিঠিত কঢ়িওৱা মোনা, হাত মোনা, বজাৰ কৰা মোনা, ৱালেট, পাৰ্চ, মেপ-কেছ, চিগাৰেট কেছ, ধঁপাতৰ টোপোলা, সঁজুলিৰ মোনা, খেলৰ মোনা, বটল কেছ, গহনাৰ বাকচ, পাউদাৰৰ বাকচ, কাটলেৰী কেছ আৰু একেধৰণৰ আধাৰ, ছামৰাৰ, প্লাষ্টিকৰ শ্বিটৰ, বস্ত্ৰ সামগ্ৰীৰ আঁহ অথবা পেপাৰ ব'ৰ্ডৰ, এনে সামগ্ৰী সম্পূৰ্ণৰূপে বা আংশিকভাৱে ঢাকি ৰখা সামগ্ৰী	২৮%	১৮%
৩।	ফাইলিং কেবিনেট, কাৰ্ড-ইণ্ডেক্স কেবিনেট, পেপাৰ ট্ৰে, পেপাৰ ৰেষ্ট, পে'ন ট্ৰে, অফিচ ষ্টাম্প ষ্টেণ্ড আৰু মূল ধাতুৰে নিৰ্মিত একেধৰণৰ কাৰ্যালয় অথবা ডেক্স সঁজুলি	২৮%	১৮%
৪।	গ্ৰাইণ্ডাৰ হিচাপে এটা পাথৰ থকা ৱেট গ্ৰাইণ্ডাৰ	২৮%	১২%
৫।	ৰং আৰু স্বাদযুক্ত উপকৰণ থকা ৰিফাইণ্ড চেনীকে ধৰি সকলো সামগ্ৰী, ৫% বা শূন্য জিএছটি থকাবিলাকৰ বাহিৰে অন্য ছুগাৰ কিউব	১৮%	১২%
৬।	কপাহৰ হাত মোনা আৰু বজাৰ কৰা মোনা	১৮%	১২%
৭।	মৰাপাটৰ হাত মোনা আৰু বজাৰ কৰা মোনা	১৮%	১২%
৮।	সিজোৱা বা নিসিজোৱা পাষ্টা (মাংস বা অন্য পৰিপূৰকসহ বা অন্য ধৰণে প্ৰস্তুত কৰা, যেনে- স্পাঘেটি, মাকাৰণি, নুডল্‌ছ	১৮%	১২%
৯।	কাৰী পেষ্ট, মেয়নেইজ আৰু ছালাড ড্ৰেছিং আৰু মিক্সড্, কণ্ডিমেণ্ট্‌ছ আৰু মিক্সড্ ছিজনিং	১৮%	১২%
১০।	ভাপত দিয়া ৰাইচ চিক্কি, পীনাট চিক্কি, সৰিয়হৰ চিক্কি, তিল চিক্কি, তিল পট্টি, তিল ৰেৱড়ি, ছুগাৰ মাখন, গজক, চীনা বাদামৰ মিঠাই, খাজা, খাজুলি, আনাৰস, ছকৰ, খাদি ছকৰ, হাৰ্দা, ছকৰিয়া, গাট্টা, কুলিয়া, এলাইচিদানা, লুকুম দানা	১৮%	১২%
১১।	ফিনিছড্ লেডাৰ/কম্পজিচন লেডাৰ	১২%	৫%
১২।	ইদ্‌লি, দোছা বাটাৰ	১২%	৫%
১৩।	মুঠ ৯০% থকা ফ্লাই এছ ব্ৰিক্‌ছ বা অধিক ফ্লাই এছ থকা বস্তু	১২%	৫%
১৪।	লা/চপৰা লাৰ খাৰু	৩%	নাই

ক্রঃ -নং	বিৱৰণ	পৰামৰ্শ দিয়া/কাৰ্যকৰী কৰা জিএছটি নিৰিখৰ পৰিৱৰ্তন পৰা	লৈ
২০১৮ৰ ১৮ জানুৱাৰীত অনুষ্ঠিত ২৫তম বৈঠক			
১।	বাঁহ-কাঠৰ ভৱন জইনাৰী	১৮%	১২%
২।	ছুগাৰ বইল্ড কনফেক্চনেৰী	১৮%	১২%
৩।	তেতেলীৰ শাহৰ পাউদাৰ	১৮%	১২%
৪।	কোণত থকা জেতুকাৰ পেষ্ট	১৮%	১২%
৫।	খেৰৰ বস্তু, অন্য ভাজ কৰিব পৰা পেলনীয়া সামগ্ৰীৰে নিৰ্মিত বস্তু; বাস্কেটত ৰখা বস্তু আৰু সাধাৰণ কাম	১৮%	১২%
২১ জুলাই, ২০১৮ত অনুষ্ঠিত ২৮তম বৈঠক			
১	o পাথৰ/মাৰ্বল/কাঠৰ মূৰ্তি o ৰাখি (অধ্যায় ৭-১ৰ মূল্যবান বা অৰ্ধ মূল্যবান ধাতুবিলাকৰ বাহিৰে o ছেনিটেৰী নেপকিন o কইৰ পিঠ কম্পষ্ট o শাল পাট, ছিয়ালি পাট আৰু সিবিলাকৰ সামগ্ৰী আৰু ছাবাই ৰ'প o ফুল ভৰি আৰু ঝাড়ু (ঝাড়ুৰ বাবে কেঁচা সামগ্ৰী) o খালী ডোনা	১৮%, ১২%, ৫%	নাই
২	o হস্ততাঁত ভৰি o গোঁঠা টুপী/খুচুৰা বিক্ৰী মূল্য ১০০০ টকাতকৈ অধিক নোহোৱা টুপী	১২%	৫%
৩।	ব্ৰাছ কেৰাচিন প্ৰেছাৰ ষ্ট'ভ	১৮%	১২%
৪।	ছলিড বায়'ফুৱেল পেলেট	১৮%	১২%
৫।	প্ৰতিযোৰত খুচুৰা বিক্ৰী মূল্য ১০০০ টকা পৰ্যন্ত হোৱা ভৰিত পিন্ধা বস্তুৰ ৫% জিএছটি প্ৰসাৰিত কৰা হৈছে আৰু প্ৰতিযোৰত খুচুৰা বিক্ৰী মূল্য ১০০০ টকাতকৈ অধিক ভৰিত পিন্ধা বস্তুৰ জিএছটি ১৮% হ'ব	১৮%	৫%
২২ ডিচেম্বৰ, ২০১৮ত অনুষ্ঠিত ৩১তম বৈঠক			
১।	ৰবৰৰ ৰি-ট্ৰিডেড অথবা ইউজ্‌ড নিউমেটিক টায়াৰ	২৮%	১৮%
২।	o কৰ্ক ৰাফলী স্কোৱাৰ্ড অৰ ডিবেগ্‌ড o প্ৰাকৃতিক কৰ্কৰ বস্তু o লদা কৰা কৰ্ক	১২%	৫%
৩	o প্ৰাকৃতিক কৰ্ক o খোজকঢ়া লাখুঁটি	১২%	৫%

অধ্যায় ১১

সেৱা- নিৰিখ হ্ৰাসকৰণ

এমএছএমই সেৱা খণ্ডৰ স্বাৰ্থত গ্ৰহণ কৰা পদক্ষেপ

অধিকাংশ ঠিকা বা হাজিৰা কাম (job work) বিশেষকৈ বস্ত্ৰশিল্প, ছাম্‌ৰা, খাদ্য প্ৰক্ৰিয়াকৰণ, ছপা, গহনা আৰু হীৰা, হস্তশিল্পৰ সামগ্ৰীত জিএছটি নিৰিখ ১৮%ৰ পৰা ৫%লৈ হ্ৰাস কৰা হয়।

- বাণিজ্যিক বা ঔদ্যোগিক ব্যৱহাৰ যেনে- কাৰ্যালয়, বিদ্যালয়, চিকিৎসালয়ত ব্যৱহাৰৰ বাহিৰে অন্য কামত ব্যৱহাৰৰ বাবে নিৰ্মাণ কৰা পথ, দলং, নলা, বান্ধ, অসামৰিক গাঁথনিৰ চৰকাৰী চুক্তিৰ ওপৰত জিএছটি নিৰিখ ১৮%ৰ পৰা ১২%লৈ হ্ৰাস কৰা হয়। এনে কামৰ চুক্তি কৰোতে উপ-ঠিকাদাৰসকললৈও ইয়াক প্ৰসাৰিত কৰা হৈছে। অধিকাংশ চৰকাৰী ঠিকাদাৰ আৰু উপ-ঠিকাদাৰেই এমএছএমই খণ্ডৰ।

- প্ৰধানমন্ত্ৰী আৱাস যোজনা (পিএমএৱাই)ৰ অধীনস্থ দুখীয়া লোকৰ বাবে নিৰ্মাণ কৰা আৱাস গৃহৰ ওপৰত কাৰ্যকৰী জিএছটি নিৰিখ ০১-০৪-২০১৯ৰ পৰা কাৰ্যকৰী হোৱাকৈ ৮%ৰ পৰা ১%লৈ হ্ৰাস কৰা হয়।

- ৰেস্তোৰাঁবিলাকে প্ৰদান কৰা সেৱাৰ ওপৰত (দৈনিক প্ৰতিটো গোটত ৭৫০০ টকা থকা হোটেলৰ ৰেস্তোৰাঁসমূহৰ বাহিৰে) জিএছটি নিৰিখ ১৮%ৰ পৰা ৫%লৈ হ্ৰাস কৰা হয়।

- দৈনিক ১০০০ টকাতকৈ কম মূল্য লোৱা হোটেলৰ থকা ব্যৱস্থাক ৰেহাই দিয়া হৈছে আৰু দৈনিক ২৫০০টকা পৰ্যন্ত মূল্য লোৱাবিলাকৰ ক্ষেত্ৰত ১২%লৈ হ্ৰাস কৰা হয়। এই দুয়োধৰণৰ সেৱা প্ৰধানকৈ এমএছএমই খণ্ডৰ হোটেলবিলাকত প্ৰদান কৰা হয়।

- দুটা প্ৰধান সেৱা, য'ত বৃহৎসংখ্যক এমএছএমই জড়িত হৈ আছে, যেনে— ঔষধৰ প্ৰতিষ্ঠানবিলাকে প্ৰদান কৰা স্বাস্থ্য সেৱা আৰু শিক্ষণ প্ৰতিষ্ঠানে প্ৰদান কৰা শৈক্ষিক সেৱাক ৰেহাই দিয়া হৈছে।

- যিসকল সেৱা প্ৰদানকাৰীৰ বাৰ্ষিক মুঠ উপাৰ্জন ২০লাখ টকাতকৈ কম (জম্মু আৰু কাশ্মীৰক বাদ দি বিশেষ শাখাৰ ৰাজ্যবিলাকত ১০লাখ টকা) সেইসকলক পঞ্জীয়ন কৰাৰ পৰা ৰেহাই দিয়া হৈছে আনকি যদিও তেওঁলোকে সেৱাৰ আন্তঃৰাজ্যিক কৰযোগ্য যোগান সম্পন্ন কৰি আছে। এই পদক্ষেপে ক্ষুদ্ৰ সেৱা প্ৰদানকাৰীসকলক যথেষ্ট সঁকাহ দিব বুলি ভবা হৈছে।

- সামগ্ৰী পৰিবহণকাৰী সংস্থাৰ সেৱা, যিসকল প্ৰধানকৈ এমএছ্এমই খণ্ডৰ সৈতে জড়িত, সেইসকলক আৰচিএমৰ অধীনত ৰখা হৈছে, ইয়াৰ জৰিয়তে সেৱা গ্ৰহণ কৰোতাৰ বোজা আঁতৰোৱা হৈছে। পৰৱৰ্তী মাছুলৰ অধীনত জিটিএবিলাককো সম্পূৰ্ণ আইটিচিসহ ১২% জিএছটি পৰিশোধ কৰাৰ সুযোগ দিয়া হৈছে।

- একোজন বীমা প্ৰতিনিধিয়ে আদায় দিয়া প্ৰতিনিধি বা ব্যক্তিগত পোনপটীয়া বিক্ৰয় প্ৰতিনিধিয়ে যোগান ধৰা সেৱাক আৰচিএমৰ অধীনত ৰখা হৈছে, ইয়াৰ দ্বাৰা সেৱা গ্ৰহণ কৰোতাৰ বোজা আঁতৰোৱা হৈছে।

- মানুহৰ ব্যৱহাৰৰ বাবে যোগান ধৰা সামগ্ৰী, খাদ্য বা আন কোনো সামগ্ৰীৰ ক্ষেত্ৰত বা কোনো পানীয়, ভাৰতীয় ৰে'ল সেৱাই কৰা বা ইণ্ডিয়ান ৰেইল্‌ৱে কেটাৰিং এণ্ড ট্যুৰিজম কৰ্পৰেচন লিমিটেডে কৰা বা তেওঁলোকৰ অনুজ্ঞাপত্ৰৰ জৰিয়তে ৰে'লত বা প্লেটফৰ্মত কৰা সেৱাৰ ওপৰত জিএছটি নিৰিখ ৫%লৈ হ্ৰাস কৰা হয়।

- ব্যৱসায় প্ৰতিনিধি (বিচি), ব্যৱসায় সম্পন্ন কৰোতা (বিএফ), বডী কৰ্পৰেটৰ বাহিৰে আন কোনো লোকে পঞ্জীভুক্ত লোকক যোগান ধৰা নিৰাপত্তাৰ লোকৰ যোগানক আৰচিএমৰ অধীনত ৰখা হৈছে, ইয়াৰ জৰিয়তে সেৱাৰ গ্ৰহণ কৰোতাৰ বোজা হ্ৰাস কৰা হৈছে।

- যান-বাহন কঢ়িওৱা সামগ্ৰীৰ থাৰ্ড পাৰ্টী ইন্সিউৰেঞ্চ প্ৰিমিয়ামৰ ওপৰত জিএছটি নিৰিখ ১৮%ৰ পৰা ১২%লৈ হ্ৰাস কৰা হয়।

- কেৱল ই-বুক যোগান কাৰ্যৰ ওপৰত জিএছটি নিৰিখ ৫%লৈ হ্ৰাস কৰা হয়।

- এমএছ্এমই খণ্ডক অধিক আগবঢ়াই নিবৰ বাবে, ০১-০৪-২০১৯ৰ পৰা কাৰ্যকৰী হোৱাকৈ, সেৱা প্ৰদানকাৰীৰ বাবে কম্পজিচন স্কিম আৰম্ভ কৰা হয়। আগৰ বিত্তীয় বৰ্ষত ৫০ লাখ টকা পৰ্যন্ত বাৰ্ষিক উপাৰ্জন থকা একোজন পঞ্জীভুক্ত লোকে এই স্কিম ল'ব পাৰে। নতুন কম্পজিচন স্কিম ল'ব বিচৰা সেৱা প্ৰদানকাৰীসকলে এতিয়া ৬% জিএছটি পৰিশোধ কৰিব পাৰে আৰু কোনো ইনপুট টেক্স ল'ব নোৱাৰিব।

তৃতীয় ভাগ

এমএছএমইৰ ওপৰত সঘনে উত্থাপিত প্ৰশ্ন

এমএছএমইৰ ওপৰত সঘনে সোধা প্ৰশ্ন

প্ৰশ্ন ঃ জিএছটি কি ?

উত্তৰ ঃ জিএছটিৰ সম্পূৰ্ণ ভাঙনি হৈছে গুড্‌ছ এণ্ড ছাৰ্ভিচ টেক্স, অৰ্থাৎ সামগ্ৰী আৰু সেৱা কৰ, যিটো সামগ্ৰী অথবা সেৱা অথবা দুয়োটাৰে যোগানৰ ওপৰত আৰোপিত হয়। 'যোগান (supply) হৈছে এটা আইনী শব্দ যাৰ অত্যন্ত বিস্তৃত পৰিসৰ আছে আৰু ই বিভিন্ন ধৰণৰ অৰ্থনৈতিক কাৰ্যকলাপ সামৰি লয়। অন্য ধৰণে নিৰ্দিষ্ট কৰা নাথাকিলে, একোটা যোগান নিশ্চিতভাৱে বিবেচনাৰে সম্পন্ন কৰিব লাগিব আৰু নিশ্চিতভাৱে ব্যৱসায়ৰ অগ্ৰগতিৰ অংশ হিচাপে হ'ব লাগিব। উদাহৰণস্বৰূপে, একোটা চুক্তিবদ্ধ দামত একোজন পাইকাৰী বিক্ৰেতাই একোজন খুচুৰা বিক্ৰেতাক সামগ্ৰী বিক্ৰী কৰাটো হৈছে এক প্ৰকাৰৰ যোগান।

প্ৰশ্ন ঃ কেনেকুৱা যোগানৰ ওপৰত জিএছটি আৰোপিত হয় ?

উত্তৰ ঃ সকলো ধৰণৰ যোগানৰ ওপৰত জিএছটি আৰোপিত হয়, যিবিলাক (১) একোটা বিবেচনা অনুসৰি কৰা হয় আৰু (২) ব্যৱসায়ৰ পৰৱৰ্তী পদক্ষেপ হিচাপে সম্পন্ন কৰা হয়। এই চৰ্তাৱলী পূৰণ নকৰা কিছুমান ব্যতিক্ৰমো থাকে, তথাপি যোগান সম্পন্ন কৰিবলৈ বিবেচনা কৰা হয়, উদাহৰণস্বৰূপে, আনকি ব্যৱসায়ৰ পৰৱৰ্তী পদক্ষেপৰ কথা বিবেচনা নকৰাকৈও সামগ্ৰীৰ আন্তঃৰাজ্যিক জমা স্থানান্তৰ কৰা হয়।

প্ৰশ্ন ঃ সকলো সামগ্ৰী অথবা সেৱা অথবা উভয়ৰে ওপৰত জিএছটি আৰোপিত হ'বনে ?

উত্তৰ ঃ নহয়, মানুহৰ ব্যৱহাৰৰ বাবে থকা মাদক দ্ৰব্যৰ ওপৰত জিএছটি আৰোপ কৰাটো সাংবিধানিকভাৱে নিষিদ্ধ। জিএছটি পৰিষদে সিদ্ধান্ত ল'বলগীয়া এটা তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ অপৰিশোধিত তেলা বা ক্ৰুড, মটৰ স্পিৰিট (পেট্ৰল), হাই স্পীড ডিজেল, এভিয়েচন টাৰ্বাইন ফুৱেল আৰু প্ৰাকৃতিক গেছৰ ওপৰত জিএছটি আৰোপিত হ'ব। জিএছটি আৰোপ কৰাৰ পৰা বিদ্যুতক ৰেহাই দিয়া হৈছে। আমানত (securities) বিলাক এই আইনৰ আওতাত সামগ্ৰী অথবা সেৱা নহয় আৰু সেয়ে আমানতৰ যোগান কৰযোগ্য নহয়। আন কেতবোৰ সামগ্ৰী আৰু সেৱাকো জিএছটিৰ কৰ আৰোপৰ পৰা ৰেহাই দিয়া হৈছে।

প্ৰশ্ন ঃ বেলেগ ধৰণৰ সামগ্ৰী অথবা সেৱাৰ ওপৰত কিমান ধৰণৰ জিএছটি আৰোপ কৰা হ'ব?

উত্তৰ ঃ জিএছটি হৈছে কেন্দ্ৰ আৰু ৰাজ্য উভয়ে একে সময়তে আৰোপ কৰিবলগা এবিধ দ্বৈত কৰ। একোখন ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলৰ ভিতৰত কৰা প্ৰতিটো যোগান (ৰাজ্যৰ আভ্যন্তৰীণ যোগান), আৰোপিত জিএছটি দুটা উপাদান থাকিব— কেন্দ্ৰীয় কৰ আৰু ৰাজ্যিক/কেন্দ্ৰীয় শাসিত অঞ্চলৰ কৰ, যাক কোৱা হৈছে ক্ৰমে চিজিএছটি আৰু এছজিএছটি/ইউটিজিএছটি। ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চল হৈছে আইজিএছটি আৰোপিত হ'ব। চিজিএছটি আৰু এছজিএছটি/ইউটিজিএছটিৰ নিৰিখ সমান সমান। সাধাৰণতে আইজিএছটি আৰোপ কৰা হয় চিজিএছটি আৰু এছজিএছটি/ইউটিজিএছটিৰ সম পৰিমাণত।

প্ৰশ্ন ঃ এই আইনৰ অধীনত বিভিন্ন অনুমতি ল'বলৈ, হিচাপ-নিকাচ ইত্যাদিৰ বাবে একোজন পঞ্জীভুক্ত লোক দুটা কৰ্তৃপক্ষ— কেন্দ্ৰৰ লগতে ৰাজ্যৰ ওচৰলৈ যাব লাগিবনে?

উত্তৰ ঃ নালাগে, একোজন পঞ্জীভুক্ত লোকে সকলো কাৰ্যকৰী উদ্দেশ্যৰ বাবে কেৱল এটা কৰ কৰ্তৃপক্ষৰ ওচৰলৈ যাব লাগিব। প্ৰতিজন পঞ্জীভুক্ত লোকৰ বাবে এটাই কৰ প্ৰশাসন কাৰ্যালয় থাকিব, হয় কেন্দ্ৰত অথবা ৰাজ্যত। এই কথা নিশ্চিত কৰিবৰ বাবে বিধিগত ব্যৱস্থা গ্ৰহণ কৰা হৈছে যাতে (যাক কোৱা হৈছে ক্ৰছ-এম্পাৱাৰমেণ্ট), একোজন পঞ্জীভুক্ত লোকৰ ক্ষেত্ৰত চিজিএছটি, এছজিএছটি/আইজিএছটি/ইউটিজিএছটি আইনৰ অধীনত একোটা কৰ কৰ্তৃপক্ষই সকলো কাম সম্পন্ন কৰিব পাৰে। পঞ্জীভুক্ত লোকজনক তেওঁৰ সৈতে জড়িত কৰ প্ৰশাসনৰ বিষয়ে অৱগত কৰা হ'ব। চিজিএছটি, এছজিএছটি/ইউটিজিএছটি আৰু আইজিএছটিৰ উদ্দেশ্যে এটা উমৈহতীয়া পঞ্জীয়ন মঞ্জুৰ কৰা হৈছে।

প্ৰশ্ন ঃ স্থানভিত্তিক উপভোগ কৰ কি?

উত্তৰ ঃ যেতিয়া কোনো এটা যোগান এখন ৰাজ্যৰ পৰা সম্পন্ন হৈ আন এখন ৰাজ্যত উপভোগ কৰা হয়, তেতিয়া দুয়োখনৰ যিকোনো এখন ৰাজ্যৰ পৰা কৰ আহৰণ কৰিব পাৰে। একোটা স্থানভিত্তিক উপভোগ কৰত, সেইখন ৰাজ্যত কৰ উৎপন্ন হয় য'ত যোগান উপভোগ কৰা হয়। মূলভিত্তিক (origin based) কৰত সেইখন ৰাজ্যত কৰ উৎপন্ন হয় য'ত যোগান মূলতঃ আৰম্ভ হয়। সাধাৰণতে জিএছটি হৈছে এটা স্থানভিত্তিক (destination based) উপভোগ কৰ। উদাহৰণস্বৰূপে, যদি এখন গাড়ী চেন্নাইত নিৰ্মাণ কৰা হয়, কিন্তু পৰৱৰ্তী সময়ত গাড়ীখন যদি মুম্বাইত এজন গ্ৰাহকে ক্ৰয় কৰে, তেতিয়া এছজিএছটি (বা আইজিএছটিত থকা ৰাজ্যৰ উপাদান) তামিলনাডুত নহয় মহাৰাষ্ট্ৰৰ বাবে উৎপন্ন হ'ব।

প্ৰশ্ন ঃ চৰকাৰক কোনো জিএছটি পৰিশোধ কৰিব?

উত্তৰ ঃ চৰকাৰক জিএছটি সাধাৰণতে যোগনীয়াৰে পৰিশোধ কৰে, অৰ্থাৎ ইয়াক গ্ৰহণ কৰোতাৰ পৰা সংগ্ৰহ কৰাৰ পিছত যিজনে উক্ত যোগান সম্পন্ন কৰে। যোগনীয়াৰে বিবেচনাৰ এটা অংশ হিচাপে গ্ৰহণ কৰোতাৰ পৰা জিএছটি সংগ্ৰহ কৰে। অৱশ্যে, কেইটামান ব্যতিক্ৰম ক্ষেত্ৰত, ওলোটা মাছুলৰ (reverse charge) ভিত্তিত, গ্ৰহণ কৰোতাই জিএছটি পৰিশোধ কৰিব লাগে।

প্ৰশ্ন ঃ ইনপুট টেক্স ক্ৰেডিট কি ?

উত্তৰ ঃ ব্যৱসায় কৰা একোজন লোকে ব্যৱসায়ৰ পৰৱৰ্তী অগ্ৰগতিৰ বাবে সামগ্ৰী ক্ৰয় কৰি থাকিব/সেৱা আহৰণ কৰি থাকিব। যেতিয়া তেওঁৰ দ্বাৰা এনে ক্ৰয় সম্পন্ন কৰা হয়, তেতিয়া তেওঁৰ যোগনীয়াৰৰ দ্বাৰা কৰ আৰোপ কৰিব পৰা হ'ব পাৰে আৰু সেয়া তেওঁৰ পৰা সংগ্ৰহ কৰিব পাৰে। যিহেতু তেওঁৰ পৰা কৰ সংগ্ৰহ কৰা হ'ল, তেওঁ তেওঁৰ যোগনীয়াৰক দিয়া কৰৰ বাবে তেওঁ 'ক্ৰেডিট' পাব পাৰে (সেই ক্ষেত্ৰত ক'ব পাৰি, তেওঁ কৰা পৰৱৰ্তী যোগানৰ ওপৰত তেওঁৰ পৰা দিবলগীয়া হোৱা কৰ দিবলৈ এই ধনৰাশি ব্যৱহাৰ কৰিব পাৰে)। গ্ৰহণ কৰোতাৰ বাবে ইয়াকে 'ইনপুট টেক্স ক্ৰেডিট বুলি জনা যায়।

প্ৰশ্ন ঃ জিএছটিয়ে বাণিজ্যৰ ওপৰত মানি লোৱা বোজা বৃদ্ধি কৰিবলৈ গৈ আছে নেকি ?

উত্তৰ ঃ নহয়, বিপৰীতে, জিএছটিয়ে প্ৰক্ৰিয়াৰ সুচলতা সৃষ্টি কৰাৰ লগতে মানি লোৱা বোজা হ্ৰাসহে কৰিব। জিএছটি হৈছে এবিধ সহজ কৰ যিটো সমগ্ৰ দেশতে একেধৰণে প্ৰযোজ্য হৈছে। মানুহৰ নিম্নতম মুখামুখি হ'বলগীয়া হোৱাকৈ জিএছটিৰ আৰ্হি প্ৰস্তুত কৰা হৈছে আৰু জিএছটিএনৰ দ্বাৰা চালিত শক্তিশালী তথ্য-প্ৰযুক্তি মঞ্চৰ জৰিয়তে বলৱৎ কৰা হ'ব। লগতে, আগৰ সময়ছোৱাত কৰ পৰিশোধৰ বাবে বিভিন্ন ধৰণৰ সন্মতি প্ৰদানৰ প্ৰয়োজন হৈছিল যেনে— কেন্দ্ৰীয় আবকাৰী শুল্ক, সেৱা কৰ, মূল্য সংযোজিত কৰ ইত্যাদিৰ লগতে কেন্দ্ৰীয় আৰু ৰাজ্যিক কৰ আছিল। জিএছটিয়ে ইয়াক সমগ্ৰ দেশতে পৰোক্ষ কৰৰ বাবে এটা আৰু একেধৰণৰ সন্মতিত পৰিণত কৰিলে। জিএছটিৰ অধীনত, কৰদাতা আৰু কৰ কৰ্তৃপক্ষৰ মাজত কোনোধৰণৰ মুখামুখি নোহোৱাকৈ মাথো এবাৰ যোগাযোগৰ ব্যৱস্থা কৰিছে আৰু বাস্তৱ ক্ষেত্ৰত প্ৰতিটো কাম অনলাইনত কৰা হ'ব।

প্ৰশ্ন ঃ জিএছটিত পঞ্জীয়নৰ বাবে উচ্চসীমা কি ?

উত্তৰ ঃ সমগ্ৰ দেশতে যিজন লোকৰ একোটা 'পান' নম্বৰৰ বাবে বছৰি মুঠ ৪০ লাখ টকাৰ অধিক উপাৰ্জন হয়, (সামগ্ৰী যোগানৰ বাবে) তেওঁ জিএছটিৰ অধীনত পঞ্জীয়ন কৰাব লাগিব। জিএছটি আইনৰ অনুচ্ছেদ ২৪ত উল্লেখ কৰা অনুসৰি এই নিয়মৰ কিছুমান ব্যতিক্ৰমো আছে। উল্লিখিত আইনখনৰ অনুচ্ছেদ ২(৬)ত মুঠ উপাৰ্জনৰ সংজ্ঞা দিয়া হৈছে। সেৱাৰ যোগান ধৰাৰ ক্ষেত্ৰত, মুঠ উপাৰ্জনৰ সীমা হৈছে ২০ লাখ টকা। কিছুমান নিৰ্দিষ্ট বিশেষ শাখাৰ ৰাজ্যত উপাৰ্জনৰ উচ্চসীমা নিম্ন।

প্ৰশ্ন ঃ একোজন কৃষকে পঞ্জীয়ন কৰাব লাগেনে ?

উত্তৰ ঃ নালাগে, একোজন কৃষকে, যেতিয়ালৈকে খেতিৰ পৰা হোৱা উৎপাদনৰ যোগান ধৰিলে পঞ্জীয়ন কৰাব নালাগে।

প্ৰশ্ন ঃ উচ্চসীমা ৰেহাইৰ সুবিধা পাবলৈ আগতীয়াকৈ ল'বলগীয়া সবাতোকৈ গুৰুত্বপূৰ্ণ পদক্ষেপ কি ?

উত্তৰ ঃ উচ্চসীমাৰ ৰেহাইৰ সুবিধা লৈ থকা একোটা এমএছএমইয়ে সামগ্ৰীৰ আন্তঃৰাজ্যিক যোগান সম্পন্ন কৰিব নালাগে, যদিও সেই এমএছএমইয়ে অন্য ৰাজ্যৰ পৰা যোগান গ্ৰহণ কৰিব পাৰে।

প্ৰশ্ন ঃ মই এনেকুৱা সামগ্ৰী আৰু সেৱাৰ বিশেষ যোগানৰ ব্যৱসায়ত জড়িত যিবিলাক জিএছটিৰ আওতাৰ বাহিৰত। মই পঞ্জীয়ন কৰাব লাগিবনে ?

উত্তৰ ঃ নালাগে।

প্ৰশ্ন ঃ যদি মই পঞ্জীয়নৰ বাবে আবেদন জনোৱা নাই, তেন্তে মই কেনেকৈ যোগান সম্পন্ন কৰিম ?

উত্তৰ ঃ আপুনি যিমান পাৰি সোনকালে জিএছটি উমৈহতীয়া পৰ্টেলত পঞ্জীয়নৰ বাবে আবেদন জনাব লাগিব আৰু এপ্লিকেচন ৰেফাৰেঞ্চ নাম্বাৰ (এআৰএন) আহৰণ কৰিব লাগিব। আপুনি আপোনাৰ ব্যৱসায় বন্ধ কৰি দিয়াৰ প্ৰয়োজন নাই আৰু জিএছটিআইএন নোহোৱাকৈ ইনভইচৰ ওপৰত যোগান সম্পন্ন কৰিব পাৰিব। ২০লাখ টকা পাৰ হোৱা উপাৰ্জন কৰাৰ পৰা ৩০ দিনৰ ভিতৰত অথবা অনুচ্ছেদ ২৪ত উল্লেখ থকা যিকোনো চৰ্ত অনুসৰি পঞ্জীয়নৰ বাবে আবেদন কৰিব লাগে। পঞ্জীয়নৰ পিছত, জিএছটি আইনৰ অনুচ্ছেদ ৩১(৩) (এ)ৰ অধীনত পঞ্জীয়নৰ কাৰ্যকৰী তাৰিখ আৰু জিএছটিআইএন সৃষ্টি হোৱাৰ তাৰিখৰ মাজত কৰা যোগানৰ বাবে আপুনি ওলোটা চালান (revised invoices) জাৰি কৰিব পাৰে। পঞ্জীয়নৰ পিছত দাখিল কৰা প্ৰথম ৰিটাৰ্নত এই যোগানবিলাক দেখুৱাব লাগে আৰু সিবিলাকৰ ওপৰত কৰ পৰিশোধ কৰিব লাগে।

প্ৰশ্ন ঃ জিএছটিৰ অধীনত নতুন পঞ্জীয়নৰ বাবে কেনেকৈ আবেদন কৰিব লাগে? কিমান দিনৰ ভিতৰত পঞ্জীয়ন মঞ্জুৰ কৰা হ'ব ?

উত্তৰ ঃ প্ৰ-পত্ৰ জিএছটি আইইজি-০১ত জিএছটি উমৈহতীয়া পৰ্টেলত (www.gst.gov.in) নতুন পঞ্জীয়নৰ বাবে বৈদ্যুতিনভাৱে আবেদন কৰিব লাগে। যদি নথি-পত্ৰ আৰু সবিশেষ ঠিকে-ঠাকে থাকে, তেতিয়া ৩ কৰ্মদিনৰ ভিতৰত পঞ্জীয়ন মঞ্জুৰ হ'ব, য'ত একোটা আপত্তি উত্থাপিত হয় তেনে ঘটনাৰ বাহিৰে।

প্ৰশ্ন ঃ মই এজন ছপাৰ পিছত ছপা কিতাপ বিক্ৰী কৰা এছএমই আৰু মোৰ বছৰি উপাৰ্জন ৪৫ লাখ টকা। মই কেৱল শিশুৰ চিত্ৰ, অংকন অথবা ৰঙীণ কিতাপ ছপা কৰো, যিবিলাক জিএছটিৰ আওতাত নপৰে। মই পঞ্জীয়ন কৰিব লাগিবনে ?

উত্তৰ ঃ নালাগে, যিজন লোকে কেৱল ৰেহাই দিয়া যোগান সম্পন্ন কৰে, তেওঁৰ উপাৰ্জন যিমানেই নহওক, তেওঁ পঞ্জীয়ন কৰাব নালাগে। জিএছটি আইনৰ অনুচ্ছেদ ২৩(১) (এ)ত উল্লেখ আছে।

প্ৰশ্ন ঃ যদিও মোৰ উপাৰ্জন নিৰ্ধাৰিত উচ্চসীমাতকৈ কম আৰু মই ইচ্ছাকৃতভাৱে পঞ্জীয়ন কৰোঁ, তেতিয়া পঞ্জীয়নৰ পিছত সম্পন্ন কৰা যোগানৰ ওপৰত মই কৰ দিব লাগিবনে?

উত্তৰ ঃ নিৰ্ধাৰিত উচ্চসীমাতকৈ উপাৰ্জন কম হোৱা সত্বেও যদি আপুনি ইচ্ছাকৃত পঞ্জীয়ন আহৰণ কৰে, তেতিয়া আপোনাৰ এজন সাধাৰণ কৰযোগ্য লোক হিচাপে গণ্য কৰা হ'ব আৰু সম্পন্ন কৰা যোগানৰ ওপৰত কৰ দিব লাগিব আনকি সেইবিলাক পঞ্জীয়নৰ বাবে উচ্চসীমাৰ তলত হ'লেও। আপুনি ইনপুট টেক্স ক্ৰেডিটো ল'ব পাৰিব।

প্ৰশ্ন ঃ কৰদাতাই কেনেকৈ পঞ্জীয়নৰ প্ৰমাণ পত্ৰ পাব?

উত্তৰ ঃ জিএছটি উমৈহতীয়া পৰ্টেলৰ পৰা (www.gst.gov.in) কৰদাতাই নিজে অনলাইত পঞ্জীয়নৰ প্ৰমাণ পত্ৰ ডাউনল'ড কৰিব পাৰে।

প্ৰশ্ন ঃ এবাৰ দাখিল কৰা পঞ্জীয়নৰ নথি-পত্ৰ সংশোধন কৰিব পাৰিনে?

উত্তৰ ঃ হয়, অনলাইনতে সংশোধনৰ বাবে অনুৰোধ জনাব লাগিব। পঞ্জীয়নৰ নথি-পত্ৰত সকলো সংশোধন, কিছুমান বিশেষ ক্ষেত্ৰত ইয়াৰ অনুমতি দিয়া নহয়, প্ৰ-পত্ৰ জিএছটি আৰইজি-১৪ত সংশোধনীৰ সবিশেষ দাখিল কৰি কোনো বিষয়াৰ হস্তক্ষেপ নোহোৱাকৈ এই প্ৰণালীত সংশোধন কৰিব পাৰিব। কিছুমান সংশোধনীৰ বাবে অনুমোদনৰ আৱশ্যক হ'ব পাৰে। অনুমোদন ল'বলগীয়া ক্ষেত্ৰসমূহৰ ভিতৰত আছে— ব্যৱসায়ৰ আইনগত নাম, ব্যৱসায়ৰ স্থানৰ ঠিকনা আৰু সংগী বা সঞ্চালক সংযোজন, প্ৰত্যাহাৰ বা অৱসৰ ইত্যাদি যিবিলাক ব্যৱসায়ৰ দৈনন্দিন কাম-কাজৰ বাবে দায়বদ্ধ। কোনো অনুমোদন নোহোৱাকৈ সংশোধন কৰিব পৰা ক্ষেত্ৰসমূহৰ ভিতৰত আছে— টেলিফোন নম্বৰ, ই-মেইল আইডি, বেংক একাউণ্ট ইত্যাদিৰ পৰিৱৰ্তন।

প্ৰশ্ন ঃ কোনখন ৰাজ্যত একোজন লোক পঞ্জীভুক্ত হ'ব লাগে?

উত্তৰ ঃ একোজন লোকে জিএছটিৰ অধীনত যিখন ৰাজ্যৰ পৰা বাহিৰলৈ যোগান ধৰে বা যোগান ধৰিব বিচাৰে, তেনে প্ৰতিখন ৰাজ্যত তেওঁ পঞ্জীয়নৰ বাবে আবেদন কৰিব লাগে। প্ৰতিখন ৰাজ্যৰ ভিতৰত, সাধাৰণতে এটা পঞ্জীয়নেই ল'ব লাগে, যদিও একোখন ৰাজ্যৰ ভিতৰত একোজন কৰদাতাই একাধিক পঞ্জীয়ন ল'ব পাৰে।

প্ৰশ্ন ঃ জিএছটিৰ অধীনত সকলো প্ৰস্তুতকৰ্তাই পঞ্জীভুক্ত হ'ব লাগেনে?

উত্তৰ ঃ নালাগে, উচ্চসীমা নোচোৱাকৈ আৰু যোগানৰ প্ৰকৃতি নোচোৱাকৈ একোজন প্ৰস্তুতকৰ্তা পঞ্জীভুক্ত হোৱাৰ বিধান নাই। উদাহৰণস্বৰূপে, কেৱল ৰেহাই দিয়া সামগ্ৰীৰ লেনদেন কৰা একোজন প্ৰস্তুতকৰ্তা অথবা যেতিয়া তেওঁৰ উপাৰ্জন ৰাজ্যৰ ভিতৰতে থাকে আৰু ৪০লাখ টকাৰ কম হয়, তেতিয়া তেওঁ পঞ্জীভুক্ত হ'ব নালাগে।

প্ৰশ্ন ঃ কোনে 'টেক্স ইনভইচ' জাৰি কৰিব লাগে আৰু কেইকপি জাৰি কৰিব লাগে?

উত্তৰ ঃ প্ৰতিজন পঞ্জীভুক্ত লোকে (কম্পজিচনৰ সুবিধা লৈ থকা পঞ্জীভুক্ত লোক অথবা ৰেহাই দিয়া সামগ্ৰী অথবা সেৱাৰ যোগান ধৰা পঞ্জীভুক্ত লোকৰ বাহিৰে) সামগ্ৰী অথবা সেৱা অথবা দুয়োটাৰ যোগান সম্পন্ন কৰি থাকিলে 'টেক্স ইনভইচ' জাৰি কৰিব লাগে। তিনিতৰপীয়া হিচাপত ইনভইচ বা চালান জাৰি কৰিব লাগে। ইয়াৰ মূল কপিটো ক্ৰেতাৰ, দ্বিতীয় কপিটো পৰিবহণকাৰীৰ আৰু তৃতীয় কপিটো বিক্ৰেতাৰ অভিলেখৰ বাবে ব্যৱহৃত হয়। কম্পজিচন স্কিমৰ অধীনস্থ একোজন লোক অথবা ৰেহাই দিয়া সামগ্ৰী আৰু সেৱাৰ যোগান সম্পন্ন কৰি থকা একোজন পঞ্জীভুক্ত লোকে টেক্স ইনভইচৰ পৰিৱৰ্তে যোগানৰ একোখন বিল জাৰি কৰিব।

প্ৰশ্ন ঃ একোখন 'টেক্স ইনভইচ'ত কি কি সবিশেষ থাকিব লাগে?

উত্তৰ ঃ টেক্স ইনভইচত বিধি ৪৬ত নিৰ্দিষ্ট কৰি দিয়া সবিশেষ উল্লেখ থাকিব লাগে। এই বিধিসমূহত উল্লেখ কৰা প্ৰধান সবিশেষবিলাকৰ ভিতৰত আছে— যোগনীয়াৰ আৰু গ্ৰহণ কৰোতাৰ (যদিহে পঞ্জীভুক্ত হয়) নাম, ঠিকনা আৰু জিএছটিআইএন, ইনভইচৰ একোটা অদ্বিতীয় নম্বৰ আৰু জাৰি কৰাৰ তাৰিখ, সামগ্ৰীৰ বিৱৰণ, সামগ্ৰীৰ মূল্য, কৰৰ নিৰিখ, কৰৰ পৰিমাণ আৰু স্বাক্ষৰ।

প্ৰশ্ন ঃ লেনদেনৰ মূল্য অতি কম হ'লেও ইনভইচ জাৰি কৰিব লাগেনে?

উত্তৰ ঃ একোজন পঞ্জীভুক্ত লোকে একোখন টেক্স ইনভইচ জাৰি নকৰিবও পাৰে যদিহে যোগান ধৰা সামগ্ৰী/সেৱাৰ মূল্য ২০০ টকাতকৈ কম হয়, এইক্ষেত্ৰত এই চৰ্ত প্ৰযোজ্য যে গ্ৰহণ কৰোতাজন এজন পঞ্জীভুক্ত লোক হ'ব নালাগিব আৰু গ্ৰহণ কৰোতাজনে এনে ইনভইচ বিচাৰিব নালাগিব (যদি গ্ৰহণ কৰোতাজনে ইনভইচ বিচাৰে তেনেহ'লে সেয়া মূল্য নিৰ্বিশেষে জাৰি কৰিব লাগিব)। এনেকুৱা ক্ষেত্ৰসমূহত, পঞ্জীভুক্ত লোকজনে এনেকুৱা সকলো যোগান শেষ কৰাৰ দিনাখন এখন একত্ৰিত ইনভইচ জাৰি কৰিব লাগিব।

প্ৰশ্ন ঃ সামগ্ৰীৰ বাবে একোখন টেক্স ইনভইচ কেতিয়া জাৰি কৰিব লাগে?

উত্তৰ ঃ সামগ্ৰীৰ বাবে টেক্স ইনভইচ সামগ্ৰী স্থানান্তৰ/আদায় দিয়াৰ সময়ত বা তাৰ আগতে জাৰি কৰিব লাগে। সামগ্ৰীৰ ধাৰাবাহিক যোগানৰ ক্ষেত্ৰত ইয়াক হিচাপ-নিকাচৰ বিৱৰণ/ধনাদায়ৰ ৰছিদ লোৱাৰ সময়ত বা তাৰ আগতে জাৰি কৰিব লাগে।

প্ৰশ্ন ঃ ৰেহাই দিয়া সামগ্ৰী যোগানৰ ক্ষেত্ৰত অথবা কম্পজিচন স্কিমৰ অধীনত কৰ পৰিশোধ কৰা হ'লে, পঞ্জীভুক্ত লোকজনে টেক্স ইনভইচ দিব লাগেনে? একোখন টেক্স ইনভইচৰ পৰা একোখন যোগানৰ বিল কেনেকৈ পৃথক হয়?

উত্তৰ ঃ নহয়। তেনেকুৱা ক্ষেত্ৰবিলাকত পঞ্জীভুক্ত লোকজনে টেক্স ইনভইচ নহয় একোখন যোগানৰ বিল জাৰি কৰিব লাগিব। টেক্স ইনভইচৰ পৰা যোগানৰ বিল নাম আৰু সন্নিৱিষ্ট সবিশেষ দুয়োটাৰে ক্ষেত্ৰত পৃথক। যিহেতু একোখন যোগানৰ বিলত প্ৰদান কৰিবলগীয়া সবিশেষৰ অধিকাংশ টেক্স ইনভইচৰ সৈতে একে, সেয়ে যোগানৰ বিলত কৰৰ নিৰিখ নাথাকে আৰু একেধৰণৰ কামৰ বাবে আৰোপিত কৰ সংগ্ৰহ কৰিব নোৱাৰিব।

প্ৰশ্ন ঃ যদি সামগ্ৰী অৰ্ধ-আৰোপিত অৱস্থাত (semi-knocked down condition) পৰিবহণ কৰা হয় কেতিয়া সম্পূৰ্ণ ইনভইচ জাৰি কৰা হ'ব?

উত্তৰ ঃ যেতিয়া অৰ্ধ-আৰোপিত অৱস্থাত সামগ্ৰীৰ পৰিবহণ সম্পন্ন কৰা হয়, তেতিয়া প্ৰথমটো বুজাবুজি অনুসৰি লেনদেন কৰাৰ আগতে সম্পূৰ্ণ ইনভইচ জাৰি কৰিব লাগিব। পৰৱৰ্তী লেনদেনৰ বাবে ডেলিভাৰী চালান জাৰি কৰিব লাগিব।

প্ৰশ্ন ঃ ক্ষুদ্ৰ ব্যৱসায়ী আৰু প্ৰস্তুতকৰ্তাৰ বাবে জিএছটি অধীনত কৰ পৰিশোধ কৰিবৰ বাবে কোনো আঁচনি আছেনে?

উত্তৰ ঃ হয়, যিসকল কৰদাতাৰ উপাৰ্জন ১৫০ লাখ টকা পৰ্যন্ত সেইসকলৰ বাবে প্ৰস্তুত কৰা কৰ পৰিশোধৰ এটা বিকল্প ব্যৱস্থা হৈছে কম্পজিচন লেভী (জম্মু আৰু কাশ্মীৰ আৰু উত্তৰাখণ্ডকে ধৰি বিশেষ শাখাৰ ৰাজ্যৰ বাবে ৭৫ লাখ টকা)। ই হৈছে একধৰণৰ উপাৰ্জন কৰ। এই আঁচনিৰ উদ্দেশ্য হৈছে ক্ষুদ্ৰ কৰদাতাসকলক সহজ কৰ পৰিশোধৰ ব্যৱস্থাত অন্তৰ্ভুক্ত কৰা। এই আঁচনিখন ঐচ্ছিক আৰু কেৱল ক্ষুদ্ৰ ব্যৱসায়ী, প্ৰস্তুতকৰ্তা আৰু ৰেস্তোৰাঁৰ বাবে।

সেৱাৰ যোগান ধৰোতাসকলৰ বাবেও (যিসকল বৰ্তমান চলি থকা কম্পজিচন স্কিমৰ বাবে অৰ্হতাসম্পন্ন নহয়) ৬% কৰৰ নিৰিখত (৩% চিজিএছটি + ৩% এছজিএছটি) যিসকলৰ আগৰ বিত্তীয় বৰ্ষত বাৰ্ষিক উপাৰ্জন ৫০ লাখ টকা পৰ্যন্ত, সেইসকলৰ বাবে কম্পজিচন স্কিম পৰ্যাপ্ত কৰা হৈছে।

প্ৰশ্ন ঃ কম্পজিচন লেভী পাবৰ বাবে কি অৰ্হতাৰ প্ৰয়োজন? চিজিএছটি আৰু এছজিএছটিৰ উদ্দেশ্য কম্পজিচন লেভীৰ বাবে উপাৰ্জনৰ সীমা ৫০ লাখ টকা ধাৰ্য কৰা বিশেষ শাখাৰ ৰাজ্যসমূহ কি কি?

উত্তৰ ঃ কম্পজিচন স্কিম হৈছে জিএছটি পৰিশোধৰ বাবে থকা এখন আঁচনি, ই ক্ষুদ্ৰ কৰদাতা, যি সামগ্ৰীৰ যোগান সম্পন্ন কৰি আছে, যাৰ আগৰ বিত্তীয় বৰ্ষত মুঠ উপাৰ্জন ১৫০ লাখ টকাৰ অধিক নহয়, তেওঁলোকৰ বাবে প্ৰযোজ্য। কিছুমান বিশেষ ৰাজ্যৰ ক্ষেত্ৰত আগৰ বিত্তীয় বৰ্ষত উপাৰ্জনৰ সীমা ৭৫ লাখ টকা, সেইবিলাক হৈছে— অৰুণাচল প্ৰদেশ, মণিপুৰ, মেঘালয়, মিজোৰাম, নগালেণ্ড, ছিক্কিম, ত্ৰিপুৰা আৰু উত্তৰাখণ্ড।

প্ৰশ্ন ঃ কৰযোগ্য লোকে সম্পন্ন কৰিবলগীয়া কম্পজিচন স্কিমৰ অধীনত কৰ পৰিশোধ কৰিবলৈ প্ৰ-পত্ৰ কি ?

উত্তৰ ঃ কম্পজিচন স্কিম ঐচ্ছিক আৰু প্ৰ-পত্ৰ জিএছটি আৰইজি-০১ত একোজন নতুন কৰদাতাই বৈদ্যুতিনভাৱে ইচ্ছাকৃতভাৱে কৰ পৰিশোধ কৰিব পাৰে। ইতিমধ্যে পঞ্জীয়ন আহৰণ কৰা একোজন লোকে কম্পজিচন লেভীৰ অধীনত কৰ পৰিশোধ কৰিব বিচাৰিলে প্ৰ-পত্ৰ জিএছটি চিএমপি-০২ত বৈদ্যুতিনভাৱে কৰিব পাৰে।

প্ৰশ্ন ঃ একোজন প্ৰস্তুতকৰ্তাৰ বাবে কম্পজিচন লেভীৰ অধীনত কৰৰ নিৰিখ কি ?

উত্তৰ ঃ প্ৰস্তুতকৰ্তাৰ বাবে কম্পজিচন নিৰিখ হৈছে উক্ত ৰাজ্য অথবা কেন্দ্ৰীয় শাসিত অঞ্চলৰ উপাৰ্জনৰ ১% (০.৫০% চিজিএছটি আৰু ০.৫০% এছজিএছটি)।

প্ৰশ্ন ঃ সকলো প্ৰস্তুতকৰ্তা কম্পজিচন স্কিমৰ বাবে অৰ্হতাসম্পন্ননে ?

উত্তৰ ঃ তলত দিয়া প্ৰস্তুতকৰ্তাসকলৰ বাহিৰে আন প্ৰস্তুতকৰ্তা কম্পজিচন স্কিমৰ বাবে অৰ্হতাসম্পন্ন—

(ক) যাৰ আগত বিত্তীয় বৰ্ষত মুঠ উপাৰ্জন ১৫০ লাখ টকাৰ অধিক;

(খ) যি সামগ্ৰী অথবা সেৱাৰ কোনোধৰণৰ আন্তঃৰাজ্যিক বহিৰ্গমন যোগান সম্পন্ন কৰে;

(গ) যি একোটা বৈদ্যুতিন বাণিজ্যিক অপাৰেটৰৰ জৰিয়তে সামগ্ৰীৰ যোগান সম্পন্ন কৰে;

(ঘ) যি তলত দিয়া সামগ্ৰীবিলাক প্ৰস্তুত কৰে ঃ

ক্ৰঃ নং	মূল্যৰ শীৰ্ষ	বিৱৰণ
১	২১০৫ ০০ ০০	আইচ ক্ৰীম আৰু অন্য খাব পৰা বৰফ, কক' মিহলোৱা থাকক বা নাথাকক
২	২১০৬ ৯০ ২০	পাণ মছলা
৩	২৪	ধঁপাত আৰু প্ৰস্তুত কৰা ধঁপাতৰ পৰিপূৰক

প্ৰশ্ন ঃ একোজন পঞ্জীভুক্ত লোকে কেতিয়া কৰ পৰিশোধ কৰিব লাগিব ?

উত্তৰ ঃ একোজন পঞ্জীভুক্ত লোকে পৰৱৰ্তী মাহৰ ২০ তাৰিখ বা তাৰ আগতে মাহিলী ভিত্তিত জিএছটি পৰিশোধ কৰিব লাগিব আৰু যদি তেওঁৰ কম্পজিচন লেভী পাব বিচাৰে তেনেহ'লে তেওঁ তিনিমহীয়া সময়সীমা শেষ হোৱাৰ পিছৰ মাহৰ ১৮ তাৰিখে বা তাৰ আগতে তিনিমহীয়া ভিত্তিত জিএছটি পৰিশোধ কৰিব লাগিব।

প্ৰশ্ন ঃ একোটা বিত্তীয় বছৰত কম্পজিচন স্কিম আহৰণ কৰা একোজন লোকে যদি উক্ত বছৰত ১৫০ লাখ টকা/৭৫ লাখ টকাৰ উপাৰ্জন অতিক্ৰম কৰে, তেতিয়া তেওঁ বছৰটোৰ বাকী থকা দিনত অৰ্থাৎ ৩১ মাৰ্চ পৰ্যন্ত কম্পজিচন স্কিমৰ অধীনত কৰ পৰিশোধ কৰিব পাৰিবনে?

উত্তৰ ঃ নোৱাৰে। একোজন লোকৰ বিত্তীয় বৰ্ষত মুঠ উপাৰ্জন ১৫০ লাখ টকা/৭৫ লাখ টকা অতিক্ৰম কৰাৰ লগে লগে কম্পজিচন স্কিমৰ অধীনত কৰ পৰিশোধ কৰাৰ সুযোগ নাথাকিব। তেওঁ উচ্চসীমা অতিক্ৰম কৰাৰ লগে লগে প্ৰ-পত্ৰ জিএছটি চিএমপি-০৪ত এনে ঘটনা ঘটাৰ সাতদিনৰ ভিতৰত আঁচনি প্ৰত্যাহাৰ কৰিবৰ বাবে আবেদন কৰিব লাগিব। তেওঁ প্ৰ-পত্ৰ জিএছটি আইটিচি-০১তো এটা বিৱৰণ দাখিল কৰিব লাগিব য'ত এই বিধি অনুসৰি ইনপুট আৰু মূলধনী সামগ্ৰী জমা থকাৰ বিষয়ে সবিশেষ উল্লেখ কৰিব লাগিব। ই তেওঁক ইনপুট টেক্স ক্ৰেডিট শৃংখলাত অন্তৰ্ভুক্ত হোৱাত সহায় কৰিব আৰু তেওঁ নিজৰ ইনপুট/জমা থকা সামগ্ৰীৰ ওপৰত পৰিশোধ কৰা কৰৰ ক্ৰেডিট অতিক্ৰান্ত দিনৰ পিছতো পাব পাৰিব।

প্ৰশ্ন ঃ কম্পজিচন লাভ কৰিবৰ বাবে মুঠ উপাৰ্জন কেনেকৈ গণনা কৰা হয়?

উত্তৰ ঃ সৰ্বভাৰতীয় ভিত্তিত উপাৰ্জনৰ ওপৰত মুঠ উপাৰ্জনৰ গণনা কৰা হয়। ইয়াৰ ভিতৰত থাকে সকলো কৰযোগ্য যোগানৰ মুঠ মূল্য (সেইবিলাক অন্তৰ্গামী যোগানৰ মূল্য বাদ দি যাৰ ওপৰত ওলোটা মাছুলৰ ভিত্তিত কৰ পৰিশোধ কৰিবলগীয়া হয়), ৰেহাই দিয়া যোগান, সামগ্ৰী অথবা সেৱা অথবা দুয়োটাৰ ৰপ্তানি আৰু একে পাৰ্মানেণ্ট একাউণ্ট নম্বৰ থকা আন্তঃৰাজ্যিক যোগনীয়াৰ কিন্তু যি জিএছটি আৰু উপ কৰৰ পৰা বাহিৰত।

প্ৰশ্ন ঃ কম্পজিচন স্কিমৰ অধীনত কৰ পৰিশোধ কৰিব বিচৰা একোজন লোকে তেওঁৰ অন্তৰ্গামী যোগানৰ ওপৰত ইনপুট টেক্স ক্ৰেডিট ল'ব পাৰেনে?

উত্তৰ ঃ নোৱাৰে। কম্পজিচন স্কিমৰ অধীনত কৰ পৰিশোধ কৰিব বিচৰা একোজন লোক ক্ৰেডিট শৃংখলাৰ বাহিৰত। তেওঁ গ্ৰহণ কৰা যোগানৰ ওপৰত ইনপুট টেক্স ক্ৰেডিট ল'ব নোৱাৰে।

প্ৰশ্ন ঃ কম্পজিচন স্কিমৰ অধীনত একোজন প্ৰস্তুতকৰ্তাই কেনেকৈ তেওঁৰ যোগানৰ বিল প্ৰস্তুত কৰিব লাগে? একোজন পঞ্জীভুক্ত লোকে, যি একোজন কম্পজিচন প্ৰস্তুতকৰ্তাৰ পৰা সামগ্ৰী ক্ৰয় কৰে, তেওঁ ইনপুট টেক্স ক্ৰেডিট পাব পাৰেনে?

উত্তৰ ঃ কম্পজিচন স্কিমৰ অধীনত কৰ পৰিশোধ কৰিব বিচৰা একোজন প্ৰস্তুতকৰ্তাই তেওঁৰ ক্ৰেতাক টেক্স ইনভইচ জাৰি কৰিব নোৱাৰে কিন্তু যোগানৰ বিল জাৰি কৰিব। তেওঁৰ যোগানৰ বিলৰ ওপৰত তেওঁ সম্পন্ন কৰা যোগানৰ ওপৰত কোনো কৰ সংগ্ৰহ কৰিব নোৱাৰে আৰু সেই যোগানৰ বাবে আৰোপ কৰা মূল্যহে কেৱল দেখুৱাব লাগে। সমান্তৰালভাৱে একোজন কম্পজিচন প্ৰস্তুতকৰ্তাৰ পৰা সামগ্ৰী ক্ৰয় কৰা পঞ্জীভুক্ত লোকে ইনপুট টেক্স ক্ৰেডিট ল'ব নোৱাৰে।

প্ৰশ্ন ঃ একাধিক ৰাজ্যত পঞ্জীয়ন থকা একোজন লোকে কম্পজিচন লেভীৰ অধীনত কেৱল এখন ৰাজ্যত কৰ পৰিশোধ কৰিব বিচাৰিলে পাৰিবনে?

উত্তৰ ঃ নোৱাৰে। এখন ৰাজ্যত কম্পজিচন স্কিম আহৰণ কৰিলে একেটা পাৰ্মানেণ্ট একাউণ্ট নম্বৰত অন্য ৰাজ্যবিলাকত পঞ্জীভুক্ত আন সকলো ব্যৱসায়ৰ স্থানৰ বাবে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিব লাগিব।

প্ৰশ্ন ঃ কম্পজিচন লেভীৰ সময়সীমা কি?

উত্তৰ ঃ কম্পজিচন স্কিমৰ অধীনত একোজন পঞ্জীভুক্ত লোকে কৰ পৰিশোধ কৰাৰ সুবিধা আহৰণ কৰিলে সেই সুবিধা আইনত উল্লিখিত চৰ্তাৱলী পূৰণ কৰি থকালৈকে তেওঁ লাভ কৰিব। এই সুবিধা নবীকৰণ কৰিব নালাগে।

প্ৰশ্ন ঃ কম্পজিচন লেভীৰ অধীনত কৰ পৰিশোধ কৰি থকা একোজন লোকে সেই আঁচনিৰ পৰা ইচ্ছাকৃতভাৱে প্ৰত্যাহাৰ কৰিব পাৰেনে?

উত্তৰ ঃ হয়, কম্পজিচন স্কিমৰ পৰা নিজৰ নাম প্ৰত্যাহাৰ কৰিব বিচৰা পঞ্জীভুক্ত লোকে প্ৰ-পত্ৰ জিএছটি চিএমপি-০৪ত সঠিকভাৱে স্বাক্ষৰিত অথবা পুনৰীক্ষিত একোখন আবেদন দাখিল কৰিব পাৰে। যদিহে তেওঁ ইনপুট টেক্স ক্ৰেডিট প্ৰত্যাহাৰ কৰাৰ দিনা পাব বিচাৰে, তেতিয়া তেওঁ প্ৰত্যাহাৰৰ ৩০ দিনৰ ভিতৰত জমা থকা সামগ্ৰীৰ সবিশেষ উল্লেখ কৰি প্ৰ-পত্ৰ জিএছটি আইটিচি-০১ত এটা বিৱৰণ দাখিল কৰিব লাগিব।

প্ৰশ্ন ঃ যিকোনো এটা স্থানৰ বাবে কৰা প্ৰত্যাহাৰৰ আবেদন ব্যৱসায়ৰ আন সকলো স্থানতে প্ৰযোজ্য হ'বনে?

উত্তৰ ঃ হয়। যিকোনো এখন ৰাজ্য অথবা কেন্দ্ৰীয় শাসিত অঞ্চলত ব্যৱসায়ৰ যিকোনো স্থানৰ ক্ষেত্ৰত প্ৰত্যাহাৰৰ বাবে জনোৱা যিকোনো আবেদন একেটা পাৰ্মানেণ্ট একাউণ্ট নম্বৰত পঞ্জীভুক্ত ব্যৱসায়ৰ আন সকলো স্থানৰ ক্ষেত্ৰত প্ৰত্যাহাৰৰ বাবে আবেদন জনোৱা বুলি গণ্য হ'ব।

প্ৰশ্ন ঃ কম্পজিচন স্কিমৰ অধীনত কৰ পৰিশোধ কৰি থকা একোজন লোকে বিশেষ অৰ্থনৈতিক মণ্ডল (এছইজেড)

উত্তৰ ঃ এ

প্ৰশ্ন ঃ কম্পজিচন স্কিমৰ অধীনত কৰ পৰিশোধ কৰি থকা একোজন লোকে বিশেষ অৰ্থনৈতিক মণ্ডল (এছইজেড)লৈ সামগ্ৰীৰ ৰপ্তানি অথবা যোগান ধৰিব পাৰেনে?

উত্তৰ ঃ নোৱাৰে, কিয়নো ডমেষ্টিক টেৰিফ এৰিয়াৰ পৰা বিশেষ অৰ্থনৈতিক মণ্ডললৈ কৰা ৰপ্তানি আৰু যোগানক আন্তঃৰাজ্যিক যোগান হিচাপে গণ্য কৰা হয়। কম্পজিচন স্কিমৰ অধীনত কৰ পৰিশোধ কৰি থকা একোজন লোকে সামগ্ৰীৰ আন্তঃৰাজ্যিক বহিৰ্গমন যোগান সম্পন্ন কৰিব নোৱাৰে।

প্ৰশ্ন ঃ কম্পজিচন স্কিমৰ অধীনত একোজন পঞ্জীভুক্ত লোকে কেনেকৈ কৰ পৰিশোধ কৰিব লাগে?

উত্তৰ ঃ কম্পজিচন স্কিমৰ অধীনত একোজন পঞ্জীভুক্ত লোকে ইনপুট টেক্স ক্ৰেডিট নাপায় আৰু তেওঁ উমৈহতীয়া পৰ্টেলত চলি থকা কেছ লেজাৰত তেওঁৰ সকলো কৰ পৰিশোধ ডেবিটৰ জৰিয়তে সম্পন্ন কৰিব লাগিব। কৰদাতাজনে তেওঁৰ নিজৰ সুবিধা অনুসৰি যিকোনো সময়ত বৈদ্যুতিন কেছ লেজাৰত কেছ জমা কৰিব পাৰে।

প্ৰশ্ন ঃ একোজন পঞ্জীভুক্ত লোকে কম্পজিচন স্কিমৰ অধীনত প্ৰতিমাহতে তেওঁৰ কৰ পৰিশোধ কৰিব লাগেনে?

উত্তৰ ঃ নালাগে, কম্পজিচন স্কিমৰ অধীনত পঞ্জীভুক্ত একোজন লোকে প্ৰতিমাহতে কৰ পৰিশোধ কৰিব নালাগে। কম্পজিচন স্কিমৰ অধীনত কৰদাতাসকলক 'স্ব-নিৰ্ধাৰিত কৰ' তিনিমহীয়া ভিত্তিত, এনে তিনিমাহৰ সমাপ্তিৰ পিছৰ মাহৰ ১৮ তাৰিখৰ ভিতৰত পৰিশোধ কৰিব লাগে আৰু পূৰ্বৰ বিত্তীয় বৰ্ষৰ বাবে ৩০ এপ্ৰিল পৰ্যন্ত একোটা ৰিটাৰ্ন দাখিল কৰিব লাগে।

প্ৰশ্ন ঃ কম্পজিচন স্কিমৰ অধীনত একোজন প্ৰস্তুতকৰ্তাই কি কি একাউণ্ট ৰাখিব লাগে?

উত্তৰ ঃ একাউণ্ট আৰু নথি-পত্ৰৰ সবিশেষৰ ওপৰত থকা নিয়মাৱলী অনুসৰি একাউণ্ট চলাব লাগে। যিকোনো ক্ষুদ্ৰ প্ৰস্তুতকৰ্তাৰ দ্বাৰা ব্যৱসায়ৰ সাধাৰণ পৰিক্ৰমাত এইবিলাক ৰখা হয়। এনে ধৰণৰ একাউণ্টবিলাকত থাকিবলগীয়া সবিশেষৰ ভিতৰত আছে যোগান ধৰা সামগ্ৰীৰ সবিশেষ, ওলোটা মাছুল পাব পৰা অন্তৰ্গামী যোগান, ইনভইচ, যোগানৰ বিল, ডেলিভাৰী চালান, ক্ৰেডিট নোট, ডেবিট নোট, ৰিচিপ্ট ভাউচাৰ, ৰিফাণ্ড ভাউচাৰ ইত্যাদি।

প্ৰশ্ন ঃ কম্পজিচন স্কিমৰ অধীনত একোজন প্ৰস্তুতকৰ্তাই গ্ৰহণ কৰা আৰু সম্পন্ন কৰা প্ৰতিটো যোগানৰ একাউণ্টৰ সবিশেষ ৰাখিব লাগেনে?

উত্তৰ ঃ নালাগে, গ্ৰহণ কৰা আৰু যোগান ধৰা ষ্টকৰ, অগ্ৰগতি হৈ থকা কামৰ, হানি, ধ্বংস ইত্যাদিৰ সবিশেষ একাউণ্ট কম্পজিচন স্কিমৰ অধীনত একোজন প্ৰস্তুতকৰ্তাৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। এনে লোকে উৎপাদন অথবা সামগ্ৰীৰ প্ৰস্তুতকৰণ, অন্তৰ্গামী আৰু বহিৰ্গামী সামগ্ৰীৰ যোগান, সামগ্ৰীৰ ষ্টক, পৰিশোধ কৰিবলগীয়া আৰু কৰা কৰৰ সঠিক আৰু সত্য হিচাপ ৰাখিলেই হ'ল।

প্ৰশ্ন ঃ কম্পজিচন স্কিমৰ অধীনত একোজন প্ৰস্তুতকৰ্তাই ইনপুট টেক্স ক্ৰেডিটৰ একাউণ্ট ৰাখিব লাগেনে?
উত্তৰ ঃ কম্পজিচন স্কিমৰ অধীনত একোজন প্ৰস্তুতকৰ্তাই ইনপুট টেক্স, দাবী কৰা ইনপুট টেক্স ক্ৰেডিট ইত্যাদিৰ একাউণ্ট ৰাখিব নালাগে, যিহেতু তেওঁক ইনপুট টেক্স ক্ৰেডিট লোৱাৰ অনুমতি দিয়া নহয় অথবা তেওঁ ক্ৰেতাই ইনপুট টেক্স পাব পৰাকৈ কৰ প্ৰদৰ্শন কৰি একোখন ইনভইচ জাৰি কৰিব নোৱাৰে।

প্ৰশ্ন ঃ কম্পজিচন স্কিমৰ অধীনত একোজন প্ৰস্তুতকতাই তেওঁৰ একাউণ্ট লিখিতভাৱে ৰাখিব পাৰেনে? তেওঁ তেওঁৰ যোগানৰ বিল লিখিতভাৱে দিব পাৰেনে?
উত্তৰ ঃ হয়, কম্পজিচন স্কিমৰ অধীনত একোজন প্ৰস্তুতকৰ্তাই পঞ্জীভুক্ত ক্ৰমিক নম্বৰত তেওঁৰ একাউণ্ট চলাব পাৰে আৰু এইক্ষেত্ৰত থকা নিয়মাৱলীৰ চৰ্তসমূহ অনুসৰণ কৰি তেওঁ যোগানৰ বিল লিখিতভাৱে দিব পাৰে।

প্ৰশ্ন ঃ কম্পজিচন স্কিমৰ অধীনত একোজন পঞ্জীভুক্ত লোকে যিকোনো ইনপুট ক্ৰয় আৰু আউটপুট যোগানৰ এইচএছএন কোডৰ বিষয়ে জানিব লাগেনে?
উত্তৰ ঃ নালাগে, কম্পজিচন স্কিমৰ অধীনত একোজন পঞ্জীভুক্ত লোকে তেওঁৰ যোগানৰ বিল অথবা ৰিটাৰ্নত সামগ্ৰীৰ এইচএছএন কোড নিৰ্দিষ্ট কৰি দিব নালাগে।

প্ৰশ্ন ঃ কম্পজিচন স্কিমৰ অধীনত পঞ্জীভুক্ত লোকে দাখিল কৰিবলগীয়া ৰিটাৰ্নত কি সবিশেষ দাখিল কৰিব লাগে?
উত্তৰ ঃ ৰিটাৰ্ন দাখিলৰ ক্ষেত্ৰত প্ৰয়োজনীয় সবিশেষ সন্দৰ্ভত জিএছটিআৰ-৪ উল্লেখ কৰিব পাৰি। বহিৰ্গামী যোগান, সেৱাৰ আমদানিৰ সবিশেষ অথবা ওলোটা মাচুল পাব পৰা অন্য যোগানবিলাক আৰু অন্তৰ্গামী যোগানৰ একত্ৰিত সবিশেষেৰে ই হৈছে অতি সহজ ৰিটাৰ্ন।

প্ৰশ্ন ঃ সামগ্ৰীৰ একোজন প্ৰস্তুতকৰ্তা/ব্যৱসায়ীয়ে কম্পজিচন স্কিম লাভ কৰিব বিচাৰিলে, যদিহে তেওঁৰ সেৱাৰ উপাদান অত্যন্ত ক্ষুদ্ৰ, কৰিব পাৰিবনে?
উত্তৰ ঃ কম্পজিচন স্কিমৰ অধীনত কৰ পৰিশোধ কৰিব বিচৰা একোজন লোকে সেৱাৰ যোগান ধৰিব পাৰে (অনুসূচী ২ৰ দফা (খ)ৰ পেৰেগ্ৰাফ ৬ত উল্লেখ থকাবিলাকৰ বাহিৰে), যাৰ মূল্য আগৰ বিত্তীয় বৰ্ষত একোখন ৰাজ্যত অথবা কেন্দ্ৰীয় শাসিত অঞ্চলত উপাৰ্জনৰ ১০%তকৈ যদি অধিক নহয় অথবা ৫ লাখ টকা, যিটোৱেই অধিক হয়।

প্ৰশ্ন ঃ একোজন সেৱা প্ৰদানকাৰীয়ে কম্পজিচন স্কিম ল'ব পাৰেনে?

উত্তৰ ঃ হয়। ০১-০৪-২০১৯ৰ পৰা কাৰ্যকৰী হোৱাকৈ, কেৱল সেৱাৰ যোগান ধৰোতা অথবা সেৱা আৰু সামগ্ৰী একেলগে যোগান ধৰোতাই প্ৰথমবাৰ পৰিশোধ কৰা ৫০ লাখ টকা পৰ্যন্ত, কম্পজিচন স্কিম গ্ৰহণ কৰিব পাৰে। এনে ক্ষেত্ৰত কম্পজিচন কৰৰ নিৰিখ ৬%ত নিৰ্দিষ্ট কৰা হৈছে।

টোকা

টোকা

ডাইৰেক্টৰেট জেনেৰেল অফ টেক্সপেয়াৰ ছাৰ্ভিচেজ
চেণ্ট্ৰেল ব'ৰ্ড অফ ইনডাইৰেক্ট টেক্সেছ এণ্ড কাষ্টম্‌ছ
www.cbic.gov.in